পুস্তিকা নং ৪

কচিয়ার বিদ্রোহ

প্রতাপ তালুকদার

অৰ্পণ—

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

অসম-সংৰক্ষণী নেতা

মাননীয় শ্ৰীযুত অম্বিকাগিৰী ৰায়চৌধাৰী

ডাঙৰীয়াৰ কৰকমলত

GOVERNMENT OF ASSAM.
Call No................
DISTRICT LIBRARY.

—প্ৰতাপ

গুৱাহাটী
স্বৰাজ সাহিত্য মন্দিৰৰ
পৰা প্ৰকাশিত

ছেপ্টেম্বৰ ১৯৩৯

প্ৰিণ্টাৰ—শ্ৰীসোণাৰাম
নিউপ্ৰেছ, গুৱাহাটী

PLEASE HANDLE THE BOOK CAREFULLY.

ৰুছিয়াৰ বিদ্ৰোহ

—এক—

ৰুছিয়াৰ সম্ৰাট স্বাধীন আছিল সঁচা। কিন্তু তেওঁ আছিল স্বেচ্ছাচাৰী। ৰুছ দেশৰ শতকৰা ৯০ জন নিৰক্ষৰ খেতিয়ক। এই খেতিয়ক সকল আছিল--জমিদাৰ সকলৰ গোলাম। সম্ৰাটৰ এজেণ্ট স্বৰূপে আছিল—জমিদাৰ সকল। এওঁলোকে মাটিৰ মালিক। খেতিয়ক সকলৰ পৰা কৰ আদায় কৰি সম্ৰাট চৰ্কাৰক যি কোনো উপায়েৰে ধন দিবই লাগিব। প্ৰজাৰ দুঃখ-দুৰ্গতিৰ ফালে ভ্ৰূক্ষেপ নকৰাটোৱে আছিল-চৰ্কাৰৰ লক্ষ্য। জমিদাৰ সকলে প্ৰজাক অত্যাচাৰ কৰিলেও তাৰ কোনো প্ৰতিকাৰ কৰা নীতি চৰ্কাৰৰ নাছিল। জমিদাৰ সকলক অসন্তুষ্ট কৰি প্ৰজা সকলৰ দুৰ্গতি মোচন কৰিবলৈ সম্ৰাট অসমৰ্থ আছিল। কাৰণ জমিদাৰ সকলৰ অনুগ্ৰহৰ ওপৰতে সম্ৰাটৰ ৰাজ্য চলিছিল। সেইখিনি সুবিধা লৈয়ে জমিদাৰ সকলে প্ৰজাক নানা প্ৰকাৰ অত্যাচাৰ কৰিছিল। প্ৰজা সকল আছিল—মাংসপিণ্ড-স্বৰূপ। জমিদাৰ সকলে ইচ্ছা কৰিলে গৰু, ম'হ ছাগলি আদিৰ নিচিনাকৈ বিক্ৰী কৰিবও পাৰিছিল। এনে ধৰণে চলিছিল ৰুছিয়াৰ সম্ৰাটৰ ৰাজ্য!!

DISTRICT LIBRARY
(HEM BARUA COLLECTION)

ধনী সম্প্ৰদায় আৰু সামৰিক নায়ক সকলৰ সুখ সুবিধা, ভোগ বিলাসৰ নিমিত্তে বিশেষ লক্ষ্য ৰাখিছিল—ৰুছিয়াৰ সম্ৰাটে। শ্ৰমিক আৰু খেতিয়ক সকলৰ আন কোনো কাম নাছিল—নিজৰ বুলিবলৈ। সমুদায় মাটি সম্ৰাটৰ। নাইবা সম্ৰাটৰ অনুগ্ৰহত পোৱা জমিদাৰ সকলৰ। খেতিয়ক সকলে কেৱল খেতি কৰিব। সিও নিজৰ নিমিত্তে নহয়; জমিদাৰ সকলৰ নিমিত্তেহে। এই পৰিশ্ৰমৰ সলনি খেতিয়ক সকলে পাইছিল—নমৰি জীয়াই থাকিব পৰাকৈ আহাৰ খিনি। জমিদাৰৰ বিৰুদ্ধে কিবা আপত্তি কৰিলে তাৰ বিপৰীত শাস্তি ভুগিব লাগিব। কোনো বনুৱা বা খেতিয়কে জমিদাৰ নাইবা ধনীৰ বিৰুদ্ধে আপত্তি কৰিবলৈ সাহ কৰিব নোৱাৰে। নানা প্ৰকাৰ ভয় দেখুৱায় দমন কৰি নিজ স্বাৰ্থ ৰক্ষা কৰাই আছিল—ৰুছিয়াৰ সম্ৰাটৰ প্ৰধান কৰ্ত্তব্য।

ডেকাসকলৰ মাজত লাহে লাহে স্বাধীন চিন্তা স্পন্দন হল। লগে লগে এটা ডেকাদলে দেশৰ হিত সাধাৰণৰ অৰ্থে সঙ্কল্প কৰিলে। কিন্তু উপায় নাই। ৰুছিয়াৰ সম্ৰাটৰ ৰাজ্যৰ ভিতৰত কোনো প্ৰজাই স্বাধীন ভাব প্ৰকাশ কৰিব নোৱাৰে। যি কৰিব, তাৰ নিস্তাৰ নাই। সেইদেখি ডেকাদলটোৱে গুপ্ত সমিতি স্থাপন কৰিলে।

গুপ্ত সমিতিৰ সভ্যসকলে সৈনিকসকলক উত্তেজিত কৰি সম্ৰাট আলেক্‌জেণ্ডাৰক সিংহাসনচ্যুত কৰিবলৈ ষড়যন্ত্ৰ কৰিলে। কিন্তু গুপ্ত সমিতিৰ সভ্যসকল কৃতকাৰ্য্য নহল। বহুতো সভ্য ধৰা পৰিল। কিছুমানৰ কাৰাদণ্ড হল। কিছুমানৰ হল—প্ৰাণদণ্ড। সম্ৰাট আলেক্‌-জেণ্ডাৰৰ মৃত্যুৰ পিছত তেওঁৰ ভায়েক নিকোলাছ হল—ৰুছিয়াৰ সম্ৰাট। এওঁৰ ৰাজ্যতো প্ৰজাতন্ত্ৰ মূলক শাসন বা কোনো স্বাধীন চিন্তাৰ আলোচনা হব নোৱাৰে। ইউৰোপ আদিৰ পৰা প্ৰকাশ

হোৱা ৰাজনীতি, সমাজনীতি আৰু অৰ্থনীতিৰ ভাব প্ৰকাশ পোৱা বাতৰি কাকত ৰুছিয়াৰ যোৱা নিষেধ। কোনো মানুহে বক্তৃতা আদিও দিব নোৱাৰে—দেশবাসীৰ হিতৰ নিমিত্তে। বিশ্ববিদ্যালয়ৰ ছাত্ৰ সংখ্যা কম কৰি পেলালে। স্কুল-কলেজত ৰাজনীতি, সমাজ-নীতি আৰু অৰ্থনীতি বিষয় শিক্ষা দিব নোৱাৰে। আন দেশৰ পৰা ৰুছিয়ালৈ কোনো মানুহ গলে চোৰাংচোৱা পুলিছে তাৰ ওপৰত ৰাখিছিল-তীক্ষ্ণ দৃষ্টি। এনে ধৰণৰ নিষ্ঠুৰ সম্ৰাট বোধকৰো এৰে অদ্বিতীয়।

দ্বিতীয় আলেক্‌জেণ্ডাৰ : সম্ৰাট নিকোলছৰ পিছত দ্বিতীয় আলেক্‌জেণ্ডাৰে কিছু ঢিলাভাৱে শাসন কাৰ্য্য চলাবলৈ ধৰিলে। তথাপি প্ৰজাৰ হিয়া ভূৰা অসন্তোষৰ শাম কটাব পৰা নাই।

১৮৬১ সন। কাৰাকাজেয়া নামৰ এজন মানুহে সম্ৰাটক হত্যা কৰিবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁ কৃতকাৰ্য্য নহল। তেতিয়াৰ পৰা ৰুছ দেশত পচোৱা বতাহৰ বা লাগিল। দেশত বিদ্ৰোহৰ ঢৌ উঠিল। শাসন নীতিৰ বিৰুদ্ধে আন্দোলন চলিবলৈ ধৰিলে।

নতুন আন্দোলনৰ নাম আছিল—ধ্বংসবাদ। ইয়াৰ উদ্দেশ্য আছিল—দাৰিদ্ৰক ভাত দিয়া। অজ্ঞান আন্ধাৰ দূৰ কৰি সৰ্ব্বসাধা-ৰণক জ্ঞানৰ পোহৰ বিতৰণ কৰা। এই ধ্বংসবাদৰ নাম আছিল—সমস্বত্ববাদ। ৰাজশক্তিৰ বিধানৰ আমুল পৰিবৰ্ত্তন, সৰ্ব্ব-সাধাৰণৰ স্বাৰ্থৰ অনুকূলে নতুন বিধান ৰচনা কৰিবলৈ ধ্বংসবাদী সকল সাজু আছিল।

১৮৭৮ সন। ছেণ্ট পিটাৰ্চবাৰ্গত ছাছুলিটাছ নামৰ এগৰাকী মহিলাৰ হাতত পুলিছ জেনেৰেল ট্ৰেপফৰ মৃত্যু হল। ইয়াৰ লগে লগে বিদ্ৰোহীসকল উত্তেজিত হৈ উঠিল। ৰাজধানীৰ ৰাজপথতে

পুলিছৰ প্ৰধান কৰ্ম্মচাৰী এজনক হত্যা কৰিলে। কেইদিনমানৰ পিছতে চাৰকফৰ লাটছাহাবক বধিলে—বিদ্ৰোহীসকলে। ছালো-ভিয়েক্ এওঁ এজন বিদ্ৰোহী ডেকা। এওঁৱে সম্ৰাটক লক্ষ্য কৰি পাঁচবাৰ গুলি চলালে। সম্ৰাট কোনো ৰকমে ৰক্ষা পৰিল। তিনি-বাৰ সম্ৰাটৰ ৰেলগাড়ী ধ্বংস কৰিবলৈ বিদ্ৰোহীসকলে সঙ্কল্প কৰিলে। ৰাজকাৰেং ধ্বংস হল। ভাগ্যবান সম্ৰাট তেতিয়া ৰাজকাৰেঙৰ পৰা আঁতৰি থকাৰ নিমিত্তে সেইবাৰলৈ ৰক্ষা পৰিল।

১৮৮১ সনৰ মাৰ্চ্চ মাহৰ ১৩ তাৰিখ। সশস্ত্ৰ শৰীৰ ৰক্ষক পুলিছ ছিপাহীক ভেলেকি মাৰি ছোফিয়া পেৰোদস্কায়ী নামৰ গাভৰু এগৰাকীৰ ঈঙ্গিতত সম্ৰাট দ্বিতীয় আলেকজেণ্ডাৰক বোমা মাৰি হত্যা কৰিলে এজন ঘাটকে।

— দুই—

গণতান্ত্ৰিক সমস্বত্ববাদী সকলৰ ওপৰত চৰ্কাৰে সদায় তীক্ষ্ণ-দৃষ্টি ৰাখিছিল। তেওঁলোকে ৰুছিয়াত সভা-সমিতি পাতিব নোৱাৰে। উপায় নাপাই লণ্ডনত এই দলটোৱে এটি অধিবেশন বহুৱালে ১৯০৩ সনত। মাৰ্ত্তফে প্ৰস্তাৱ কৰিলে, যেয়ে এই দলৰ নীতি অনুসৰণ কৰি টকা-পয়চাৰে আৰু আন প্ৰকাৰে এই দলক সহায় কৰিব, তেৱেঁই এইদলৰ সভ্য হব পাৰিব। লেনিনে এটি সংশোধনী প্ৰস্তাৱ কৰিলে যে "উক্ত কথাবোৰৰ বাহিৰেও যেয়ে ইয়াৰ সভ্য হবলৈ ইচ্ছা কৰিব আৰু যত্নেৰে এই দলৰ লগত সহযোগিতা কৰিব"। সংশোধনী প্ৰস্তাৱ গৃহীত হল। লেনিনে বেছি ভোট পোৱাৰ নিমিত্তে তেওঁৰ দলটোৰ নাম হল—বলছেভিক। ৰুছিয়া ভাষাত বলছেভিকী মানে সংখ্যা গৰিষ্ঠ।

১৯০৩ সন। লেনিনে কাৰ্লমাৰ্কছৰ অৰ্থনীতিক প্ৰধান সূত্ৰ তিনটিৰ ব্যাখ্যা কৰিলে—খেতিয়ক আৰু শ্ৰমিকৰ অনুকূলে। লণ্ডনত বহা অধিবেশনৰ পিছৰ পৰা ৰুছিয়াৰ গণতান্ত্ৰিক সৰ্ব্বস্বত্ববাদী সকলৰ দুটিদল হল। যিজন সংশোধনী প্ৰস্তাৱত হাৰিছিল তেওঁৰ নাম মাৰ্ত্তফৰ। তেওঁৰ দলটোৰ নাম—মানছেভিক। লেনিৰ দলটোৰ নাম—বলছেভিক।

লেনিনে কাৰ্ল মাৰ্কছৰ সূত্ৰ তিনটি এই দৰে ব্যাখা কৰিলেঃ—

১। আৰ্থিক বস্তুতন্ত্ৰ কি? ধনৰ চিন্তা জগতৰ স্থিতিৰ মূল। উদাৰ পূৰণৰ আৱশ্যকৰ ওপৰত নিৰ্ভৰ কৰি সমাজৰ স্থায়ীত্ব। মানুহে পেট ভৰাই খাবলৈ পোৱা জন্মগত অধিকাৰক ন্যায়যুক্তি মতে কোনোৱে বঞ্চিত কৰিব নোৱাৰে। ভোক নিবাৰণৰ নিমিত্তে ধনৰ প্ৰয়োজন।

২। অনুপাৰ্জ্জিত ধন কি? উত্তৰাধিকাৰী সূত্ৰে পোৱা জমিদাৰী, চাহ-বাগিচা, কাৰখানা আৰু মহাজনী বেপাৰ আদি এইবিলাকেই হৈছে—অনুপাৰ্জ্জিত ধন বা সম্পত্তি। চাহ বাগিচা, কাৰখানা আদিৰ মালিক, মহাজন আদিৰ সাধাৰণ হিচাপে জীৱন-যাপন কৰিবলৈ যি দৰ্কাৰ হয়, তাৰ বাহিৰে তেওঁলোকৰ যি ধন থাকে তাক অনুপাৰ্জ্জিত ধন বোলা হয়। এইদৰে পোৱা ধনক সমৰ্থন কৰিব নোৱাৰি—ন্যায়-যুক্তিৰ দ্বাৰা। সেই নিমিত্তে এই ধনত তেওঁলোকৰ অধিকাৰ থকা উচিত নহয়। এই ধন উপাৰ্জ্জন হৈছে—সমাজৰ লোকৰ দ্বাৰা। গতিকে সমাজৰ লোকৰ এই ধনৰ ওপৰত দাবী আছে। এই ধন সৰ্ব্বসাধাৰণৰ। প্ৰত্যেক সমৰ্থবান মানুহে পৰিশ্ৰম কৰি ৰাজহুৱা ভঁৰাল পূৰ্ণ কৰিবলৈ বাধ্য থাকিব। গণতন্ত্ৰী ৰাষ্ট্ৰই ৰাজহুৱা ভঁৰালৰ পৰা প্ৰত্যেকজনক আৱশ্যকীয় ধন ভগাই

দিব। কোনোজনে পৰিশ্ৰম নকৰাকৈ আনৰ আৰ্জ্জিত ধন ভোগ কৰিব নোৱাৰিব। অসমৰ্থ লোকক ৰাজহুৱা ভঁৰালৰ পৰা ভৰণ-পোষণ কৰিব। এয়ে হৈছে—ধনৰ সমস্বত্ব।

৩। উচ্চ-নীচ শ্ৰেণীৰ মাজত ভেদভাৱ থাকিব নোৱাৰে। সৰ্ব্ব-সাধাৰণৰ মাজত সাম্যভাৱ স্থাপন কৰি মধ্য শ্ৰেণী আৰু ধনী শ্ৰেণীৰ লোকক বুজাই-বৰাই যুক্তিতৰ্কৰ দ্বাৰা তেওঁলোকৰ নিজ অধিকাৰ ত্যাগ কৰিবলৈ চেষ্টা কৰিব লাগিব। যদি তেওঁলোকে তাত সন্মতি প্ৰকাশ নকৰে, তেনেহলে বল প্ৰয়োগ কৰি সেই কাম কৃতকাৰ্য্য কৰিব লাগিব। বনুৱা আৰু খেতিয়কসকলে সশস্ত্ৰ অভিযান কৰিব।

-তিনি-

১৯১৪ সন। ইউৰোপত সমৰাগ্নি জ্বলি উঠিল। ধনীসকলৰ উত্তেজনাৰ নিমিত্তে এই অগ্নিৰ সূত্ৰপাত হল। এই অগ্নিত আহুতি দিছে—ধনীসকলে দুখীয়াসকলক। এই যুদ্ধ যিমান সোণকালে সম্ভৱ শেষ কৰাটো বলছেভিক সকলৰ কৰ্ত্তব্য বুলি ভাবিলে। যুদ্ধ ক্ষেত্ৰলৈ যি সকল শ্ৰমিক আৰু খেতিয়ক আগবাঢ়ি গৈছে, তেওঁলোকক একতাবদ্ধ কৰিব পাৰিলে সন্ধিস্থাপন হব পাৰে। জাৰ্ম্মাণীয়ে ৰুছিয়াৰ লগত স্বাধীন সন্ধিৰ নিমিত্তে চেষ্টা কৰিলে। সন্ধি স্থাপনৰ অনু-কূলে ৰুছিয়াৰ সৰ্ব্বসাধাৰণো আছিল। তেতিয়া ৰুছিয়াত খাদ্যদ্ৰব্যৰ যথেষ্ট অভাৱ। লাহে লাহে দুৰ্ভিক্ষ উপস্থিত হল। বনুৱা আৰু খেতিয়ক সকল উন্মত্ত হৈ উঠিল। লগে লগে সম্ৰাট সিংহাসনচ্যুত হল। পিছত সপৰিয়ালে আদিও নিহত হল।

১৯১৭ সনৰ মাৰ্চ্চ মাহ। অসাধাৰণ শক্তিৱন্ত ৰুছ সম্ৰাটৰ সাম্ৰাজ্য হাতৰ পৰা খহি পৰিল। ৰুছিয়াৰ বিদ্ৰোহীদল প্ৰবল হৈ

উঠিল। গোটেই ৰুছিয়াত প্ৰভাৱ বিস্তাৰ কৰিলে। বাওঁফালে বলছেভিক বিদ্ৰোহী সকল। এওঁলোকে চৰমপন্থী দল। সোঁফালে উদাৰনীতিক সমাজ বিদ্ৰোহী দল। এওঁলোকৰ নেতা অধ্যাপক মিলিউকফ্। জাৰৰ (মাটিৰ মালিক সম্ৰাট. গতিকে ৰুছিয়াৰ সম্ৰাটক জাৰ বোলে) পতনৰ পিছত উদাৰনীতিক দলে পোনপ্ৰথমে ৰুছিয়াৰ শাসনভাৰ গ্ৰহণ কৰে। তেতিয়া আলেকজেণ্ডাৰ কাৰেনেস্কিয়ে গণনায়ক স্বৰূপে কাৰ্য্য পৰিচালনা কৰে। এই অস্থায়ী শাসন-নীতিৰ কাৰ্য্যকাল মাথো কেমাহমানৰ নিমিত্তে আছিল। যিটো দলে পোন প্ৰথমে শাসনভাৰ গ্ৰহণ কৰিছিল, তেওঁলোকৰ নেতাসকলৰ আন্তৰিকতা আছিল। তেওঁলোক আছিল—একোটা মহান আদৰ্শত অনুপ্ৰাণিত হৈ। এই দলটোত মহিলাও আছিল—তাৰ ভিতৰত প্ৰসিদ্ধ আছিল—কেথেৰিন ক্ৰেছকোছভাছিয়াৰ। কিন্তু তেতিয়াও ৰুছ ছৰ্কাৰৰ সম্মিলন শক্তি নাছিল। ভিন্ ভিন্ দলৰ নেতাসকলক লৈ এক মতাৱলম্বী হৈ কাম কৰিবপৰা শক্তিৰ অভাৱ আছিল। অৱশ্যে সকলো দলৰ সভ্য লৈ শাসন-পৰিষদ গঠিত হৈছিল সত্য, কিন্তু ৰাজনীতিৰ মতভেদ বিসৰ্জ্জন দি দেশৰ শাসন আৰু গঠনমূলক কাৰ্য্যত একমতাৱলম্বী হোৱা প্ৰবৃত্তি নেতাসকলৰ নাছিল। শত শত শতাব্দীৰ অধীনতা-পাশত জৰ্জ্জৰিত হৈ থকা জনসাধাৰণৰ পক্ষে সম্পূৰ্ণ গণতান্ত্ৰিক ৰাষ্ট্ৰনীতি মানি চলিবলৈ তেতিয়া সম্ভৱপৰ নাছিল। কাৰণকি বহুকালৰপৰা জাৰৰ প্ৰবল ৰাজশক্তিৰ বিৰুদ্ধে যুঁজ কৰি আহিছিল। শাসন পৰিষদৰ নেতা হৈ তেওঁ জনসাধাৰণক সম্পূৰ্ণ স্বাধীন কৰিবলৈ অনুপ্ৰাণিত হৈছিল। আন কি তেওঁ ৰাষ্ট্ৰৰ ভিতৰৰ পৰা প্ৰাণদণ্ড, নিৰ্ব্বাচন আদি তুলি দিছিল। তেতিয়া দেশত ঘোৰ বিশৃঙ্খলতা। যুদ্ধৰ অগ্নিশিখা দপদপকৈ জ্বলিবলৈ ধৰিলে।

চাৰিওপিনে সঙ্কটাৱস্থা। সেই চৰম ক্ষণত দৃঢ়তা আৰু কঠোৰতাৰ পৰিবৰ্ত্তে ৰুছ ছৰ্কাৰে কোমল মনোবৃত্তিৰ পৰিচয় দিবলৈ ধৰিলে। তাৰ ফলত গোটেই জাতিৰ ভিতৰত শৃঙ্খলা শূন্য হল। জনসাধাৰণৰ নীতিজ্ঞান শিথিল হৈ পৰিল। চৰম দণ্ডৰ ভয় নোহোৱা দেখি যাৰ যি ইচ্ছা তাকে কৰিবলৈ ধৰিলে। তাৰ ফলত অৰাজকতা বৃদ্ধি পালে। তেতিয়া কাৰেন্সকিয়ে জনসাধাৰণ আৰু সৈনিক দলক উদ্দেশ্য কৰি বক্তৃতা দিবলৈ ধৰিলে। তেওঁৰ বাগ্মিতাশক্তি যথেষ্ট আছিল। তথাপি বক্তৃতাৰ দ্বাৰা কৃতকাৰ্য্য হব নোৱাৰিলে। শেহত উপায় নাপাই অস্থায়ী শাসন পৰিষদে কঠোৰতা অৱলম্বন কৰিবলৈ বাধ্য হল। যি প্ৰণালীত ভৱিষ্যত কাৰ্য্যপদ্ধতি নিৰ্দ্ধাৰিত কৰা হৈছিল, তাক ত্যাগ কৰিলে। জনসাধাৰণৰ ভিতৰৰপৰা নিৰ্ব্বাচন প্ৰথাৰ দ্বাৰা সদস্য নিৰ্ব্বাচিত কৰি যি শাসন পৰিষদ গঠন কৰিবলৈ কল্পনা কৰিছিল, সেইটো সুবিধা নহব বুলি ভাবি সেই প্ৰস্তাৱ ত্যাগ কৰিলে। ৰুছিয়াৰ নায়ক স্বৰূপে কাৰেন্সকিয়ে নষ্ট প্ৰভুত্ব ওভোটাই পাবলৈ শেষ চেষ্টা কৰিলে। উপায় নাই। তেতিয়া জোৰা পুৰি হাতত লাগিলহি, কাৰেন্সকি ছৰ্কাৰ দুৰ্ব্বল হৈ পৰিল।

জেনেৰেল কৰনিলফ্ আগতে জাৰৰ অধীনত এজন সামৰিক কৰ্ম্মচাৰী আছিল। তেওঁ ৰুছ সৈনিক দলৰ ভিতৰৰ পৰা এদল সৈনিকক নিজপক্ষ কৰি লোৱাত কাৰেন্সকিৰ বিপদ ওচৰ চাপিল। জেনেৰেল কৰনিলফে বলপূৰ্ব্বক কাৰেন্সকিক শাসন গাদীৰ পৰা খেদিবলৈ আগৰে পৰা চেষ্টাত আছিল। দুয়োদলৰ মাজত সংগ্ৰাম আৰম্ভ হল। কাৰেন্সকিয়ে কৰনিলফৰ বিদ্ৰোহ সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলালে। এই জয়ৰ মূল্য একেবাৰে সাধাৰণ নহয়। তেওঁৰ শক্তি লাহে লাহে হ্ৰাস পাবলৈ ধৰিলে। এই সুযোগতে শত্ৰুপক্ষ

প্ৰবল হৈ উঠিল। ইপিনে বিদ্রোহী দলৰ আন এটি অংশ বলছে-ভিক দলে শক্তি সঞ্চাৰ কৰি আছিল। কাৰন্সকিৰ ৰাজনীতি মতবাদৰ লগত তেওঁলোকৰ মতবাদ একেবাৰে বিপৰীত ধৰণৰ। তেওঁলোকে শক্তিক উপলুভা নকৰিছিল। তেওঁলোকে বুজিবলৈ সক্ষম হৈছিল যে, শক্তি আয়ত্ত কৰিব নোৱাৰিলে কোনো কামকে সিদ্ধি কৰা কঠিন। তাৰ বাহিৰে দলগঠন কৰা কাৰ্য্যতো তেওঁলোক পটু আছিল। বলছেভিকদলে শৃঙ্খলাবদ্ধ হৈ কাম কৰিবলৈ জানি-ছিল। তেওঁলোক অকল বক্তৃতাৰ দ্বাৰা ফাকা আৱাজ কৰি হাত সাৱটি বহি থকা ধ্ৰৰণৰ লোক নাছিল। তেওঁলোকৰ লক্ষ্য আছিল স্থিৰ। কোন পথেদি গলে লক্ষ্য স্থল ভেদিব পাৰিব, তেওঁলোকে আগতে ঠিক কৰি ৰাখিছিল। তাৰ বাহিৰেও তেওঁ লোকৰ মত প্ৰচাৰ কৰাত তেওঁলোক পাৰ্গত আছিল। সেই বছৰৰ ভিতৰতে অক্টোবৰ মাহত অস্থায়ী ছৰ্কাৰৰ দুৰ্ব্বল ভেটিৰ ওপৰত বলছেভিক দলে পতকা উৰুৱাই দিলে। শাসনদণ্ড বলছেভিক দলৰ হাতলৈ আহিল। বলছেভিক দলে ঘোষণা কৰি দিলে—এই বিশাল ৰাষ্ট্ৰ দৰিদ্ৰৰ, শ্ৰমজীৱীৰ। যাৰ একো নাই বা অতি সামান্য আছে, তেওঁলোকেই ৰাষ্ট্ৰৰ সৰ্ব্বস্ব।

এই নতুন প্ৰবৰ্ত্তিত ছৰ্কাৰ কম সংখ্যক লোকৰ দ্বাৰা গঠিত হল। তেতিয়া ৰুছিয়াত শ্ৰম-শিল্প বেছি পৰিমাণে নাছিল। সেই নিমিত্তে শ্ৰমজীৱীৰ সংখ্যা তাকৰ। কিন্তু তেওঁলোকৰ নেতাসকল বা কমিউনিষ্ট সম্প্ৰদায় দৃঢ়ভাৱে একতাৱদ্ধ আৰু শৃঙ্খলানীতিত সুনিপুণ।

কমিউনিষ্ট সম্প্ৰদায় শাসন ভাৰ গ্ৰহণ কৰিয়েই প্ৰথমে গোটেই দেশৰ ওপৰত ৰাজনীতিক প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিলে। কিন্তু

এই দলৰ বিৰুদ্ধে ৰুছিয়াৰ আন আন ৰাজনীতিক সম্প্ৰদায় আৰু ৰুছ সম্ৰাটৰ পক্ষভুক্ত দলে থিয় দিলে। তাৰ ফলত গোটেই ৰাষ্ট্ৰৰ ভিতৰত গৃহ-কন্দল লাগিল। চাৰিও পিনে বিদ্ৰোহ অনল জ্বলি উঠিল। কমিউনিষ্ট সম্প্ৰদায় এই নিমিত্তে প্ৰস্তুত আছিল। তেওঁ-লোকে বিস্ময়জনক ধীৰতা, দৃঢ়তাৰে সৈনিক দল গঠন কৰিলে। যিবিলাক ঠাইত বিদ্ৰোহে দেখা দিছে, তাক দমন কৰিবলৈ চেষ্টা কৰিলে। এইটো মনত ৰাখিব লাগিব যে, ৰুছিয়াৰ জনসাধাৰণৰ শতকৰা ৯০ জন কৃষিজীৱী। তেওঁলোক এই বিদ্ৰোহত নিৰপেক্ষ আছিল। দেশ শাসনৰ ভাৰ আয়ত্ত কৰিবলৈ যেতিয়া এদলে আন দলৰ লগত শক্তি পৰীক্ষা কৰিছিল, তেতিয়া এই খেতিয়কসকলে দৰ্শকৰ নিচিনা ফলাফল লক্ষ্য কৰি আছিল। খেতিয়ক শ্ৰেণীয়ে প্ৰাচীন সাম্ৰাজ্য শক্তি পতনত যে আনন্দ উপভোগ কৰিছে, তাত সন্দেহ নাই। সাম্ৰাজ্যবাদৰ অৱসানৰ পিছত ৰাষ্ট্ৰৰ ভিতৰত যি নতুন নতুন ৰাজনীতিক, অৰ্থনীতিক মতবাদৰ প্ৰচাৰ হৈছিল, খেতিয়কসকলে তাৰ অৰ্থ তিলমাত্ৰ উপলব্ধি কৰিব পৰা নাছিল। বিভিন্ন বিদ্ৰোহী দলৰ ভিতৰত কি প্ৰভেদ, তাক বুজিব নোৱা-ৰিলেও প্ৰচাৰ কাৰ্য্যৰ ফলত তেওঁলোকক বিচলিত কৰিব পৰা নাছিল। যেতিয়া যিটো দল প্ৰবল হৈছিল, তেওঁলোকে সেইদলৰ মতকে অনুসৰণ কৰিছিল। তেওঁলোকে বগাদল আৰু সাম্ৰাজ্য-বাদী সম্প্ৰদায়ক অন্তৰৰ পৰা ঘৃণা কৰিছিল। কিন্তু বগাদলে যেতিয়া কোনো কেন্দ্ৰ অধিকাৰ কৰিছিল, তেতিয়া খেতিয়ক সকলে তেওঁ লোকৰ মত অনুসাৰে চলিছিল।

গৃহকন্দল অতি দ্ৰুত গতিত চলিবলৈ ধৰিলে। বলছেভিকদলৰ আধিপত্য চূৰ্ণ কৰিবলৈ চাৰিউফালৰ প্ৰতিযোগী দলৰ ৰণ হুঙ্কাৰ

বাজি উঠিল। বলছেভিকদলৰ ৰঙা চিপাহীৰ দলে ক্রমে শক্তি সঞ্চাৰ কৰি আন আন দলক ৰুছিয়াৰ পৰা খেদি দিলে। বগাদল হৈছে—আগৰ সম্রাটৰ পক্ষৰ। পিছত গৈ বলছেভিকদলৰ যিবিলাক বিৰুদ্ধবাদী আছিল, তেওঁলোককে বগাদল বোলে। বলছেভিক দলৰ প্রচাৰ কাৰ্য্যত যিবিলাক নিযুক্ত আছিল, তেওঁলোককে ৰুছ সাধাৰণৰ ওচৰত বগাদলক আক্রমণ কাৰী বুলি বর্ণনা কৰিছিল। ৰঙা ছিপাহী দলক ৰুছিয়াৰ ৰক্ষাকাৰী দল বুলিছিল।

ইপিনে মস্কো আৰু পেট্রোগার্ডত থকা বলছেভিক দলৰ বিৰুদ্ধ বাদী নেতাসকলেও হাত সাৱটি বহি থকা নাছিল। তেওঁলোকৰ সহকৰ্ম্মীসকলে আন আন প্রদেশত সৈনিক দল গঠনৰ নিমিত্তে প্রাণপণে চেষ্টা কৰিছিল। পেট্রোগার্ডৰ দলপতিসকলে বলছেভিক দলৰ কিছুমান নেতাক কৌশল কৰি হত্যা কৰিলে। পিছত লেনিনৰ প্রাণ নাশ কৰিবলৈও ষড়যন্ত্র কৰিছিল। তেওঁলোকৰ সেই চেষ্টা ব্যর্থ হল। কিন্তু কমিউনিষ্ট নেতাৰ কান্ধত আততায়ীয়ে যি গুলি মাৰিছিল, কেইবছৰমান পিছতহে সেই গুলি উলিওৱা হয়।

কমিউনিষ্ট সম্প্রদায় দেশ শাসনত দমন নীতিৰ অনুবৰ্ত্তী হলেও অপেক্ষা কৰি ধীৰ ভাৱে বিৰুদ্ধ পক্ষৰ লগত ব্যৱহাৰ কৰিছিল। তেওঁলোকৰ ব্যৱহাৰত কঠোৰতা আছিল। কিন্তু নিদাৰুণ ভীষণতাই কেতিয়াও আত্ম-প্রকাশ কৰা নাই। যেতিয়া তেওঁলোকৰ দলপতিক হত্যা কৰিবলৈ গুলি মাৰিছিল, তেতিয়াৰ পৰা তেওঁলোকে শান্ত হৈ থাকিব পৰা নাই। আহত অৱস্থাত যেতিয়া লেনিনে জীৱন আৰু মৃত্যুৰ লগত যুজ কৰিছিল, তেতিয়া কমিউনিষ্ট সম্প্রদায় আৰু তেওঁলোকৰ সহানুভূতি থকা লোকসকলে ক্রোধত উন্মত হৈ উঠিল। দিহা হেৰুৱাই তেওঁ লোকে নিষ্ঠুৰ ভাৱে, বিনা বিচাৰে অনাচাৰ

কৰিবলৈ ধৰিলে। চাৰিউপিনে তেজৰ সোঁত। কোনো প্ৰকাৰ অনাচাৰ অত্যাচাৰৰ প্ৰতি কুণ্ঠিত নহল। উন্মত্ত লেনিন ভক্তই কাকো বাদ নিদিলে। যিবিলাকে প্ৰকাশ্য ভাৱে তেতিয়াও বলছেভিক দলৰ প্ৰতি সহানুভূতি প্ৰকাৰ কৰা নাই, তেওঁলোকক বিনা বিচাৰে গ্ৰেপ্তাৰ কৰিবলৈ ধৰিলে। ৰুছিয়াৰ শিক্ষিত সম্প্ৰদায়ৰ অধিক সংখ্যক লোকে তেওঁলোকৰ বিৰোধী আছিল। সেই নিমিত্তে বলছেভিক কমিউনিষ্ট-সকলে প্ৰত্যেক নগৰৰ শিক্ষিত লোকক সন্দেহৰ চকুৰে চাইছিল। দলে দলে গ্ৰেপ্তাৰ কৰি অনা লোকসকলক কাৰাগাৰত ৰাখিলে। শেহত গৈ কাৰাগাৰত ঠাই নোহোৱা হল। বলছেভিকসকলে কাকো বাদ নিদিলে। প্ৰত্যেক শিক্ষিত লোকক কাৰাগাৰলৈ পঠিয়ালে। পিছত বিৰুদ্ধবাদীসকলক সমূলে ধ্বংস কৰিবলৈ উপায় অৱলম্বন কৰিলে। ৰোগ, ঋণ আৰু শত্ৰুৰ লেশমাত্ৰ ৰখা উচিত নহয়—এই নীতিবাক্য তেওঁলোকে পাহৰা নাছিল। যিবিলাকক বিপদ-জনক বুলি ভাবিছিল, তেওঁলোকক গুলি দি হত্যা কৰিবলৈ অকণো সঙ্কোচ বোধ নকৰিছিল। বহুতো ক্ষেত্ৰত সন্দেহ হলে তাকে প্ৰমাণ বুলি ধৰি লৈছিল। বলছেভিকদলৰ স্বাৰ্থ ৰক্ষাৰ নিমিত্তে নামমাত্ৰ ভুল কৰিবলৈ প্ৰস্তুত নাছিল। কোনো শক্তিশালী শত্ৰু ৰক্ষা পৰিব পাৰে—সেই নিমিত্তে হাজাৰ হাজাৰ নিৰ্দ্দোষী প্ৰাণীকো বধ কৰিলে।

এই শাসননীতিৰ লগে লগে ৰুছিয়াৰ বাতৰি কাকত বিলাক বন্ধ কৰি পেলালে। ইয়াৰ পৰা বলছেভিক দলৰ আৰু বেছি সুবিধা হল। বিৰুদ্ধবাদীসকলে প্ৰভাৱ বিস্তাৰ কৰিবলৈ অক্ষম হৈ পৰিল। ৰঙা ছিপাহীৰ দল শক্তিশালী হোৱাত দেশত আধিপত্য কৰিবলৈ কমিউনিষ্টসকলৰ সুবিধা হল। বগাদলৰ শক্তি একেবাৰে

হ্রাস পালে। যদিও মাজে মাজে বিৰোধিতা কৰিবলৈ চেষ্টা কৰিছিল। কিছুদিনৰ পিছতে ৰঙা ছিপাহীৰ দল শক্তিশালী হৈ বগাদলৰ শক্তিৰ মূল উঘালি পেলালে। দুটি বিৰাট শক্তিৰ ওপৰত কমিউনিষ্ট সকলৰ প্ৰভুত্ব শক্তি বিৰাজমান আছিল। প্ৰথম সৈনিকদল—প্ৰচুৰ আহাৰ, পোছাক আদিত সৈনিকদলৰ অনুৰাগ আছিল। দ্বিতীয় চোৰাংচোৱা বিভাগ। গৃহ কন্দলৰ অন্তৰ্দ্ধানৰ লগে লগে ব্যক্তি-গত বিৰোধৰো অৱসান ঘটিল। ক্ৰমে গোটেই দেশত বিক্ষোভ নোহোৱা হল। শাসক সম্প্ৰদায়ৰ বিৰুদ্ধে অভিমান চলাওতা দল আৰু নাই। যিবিলাক ডকাইতে এই সম্প্ৰদায়ৰ শাসন নামানি লুটপাত আদি কামত ব্যস্ত আছিল। সিহঁতক নিৰ্দ্দয়ভাৱে গুলি কৰি হত্যা কৰা হল। বলছেভিক ছভিয়েট চৰ্কাৰে এইটো ভালদৰে উপলব্ধি কৰিব পাৰিছিল যে, কোনো দেশৰ শাসন কাৰ্য্যত সবাতোকৈ পূৰ্ব্বে শান্তি আৰু শৃঙ্খলা ৰক্ষাৰ বিশেষ প্ৰয়োজন। ৰুছিয়াবাসী যেন এটি বৃহৎ পৰিয়াল। তেওঁলোকে পৰাস্পৰে যেন বিবাদ কৰিছে। পৰিয়ালৰ গৃহস্থই যদি সেই বিশৃঙ্খল অৱস্থা দূৰ কৰিব নোৱাৰে, তেনেহলে তেওঁ সেইটো পৰিয়ালক পৰিচালনা কৰিবলৈ অসমৰ্থ।

বলছেভিক দলৰ গঠন ক্ষমতাৰ প্ৰভাৱত গোটেই দেশত শান্তি স্থাপন হল—১৯২০—২১ সনৰ ভিতৰতে। বলছেভিক কমিউনিষ্ট দলৰ ৰাষ্ট্ৰনীতিক প্ৰাধান্য প্ৰতিষ্ঠিত হলেও অৰ্থনীতিক সমস্যাত নৱ গঠিত ৰুছিয়াৰ অগ্ৰগতি সম্পূৰ্ণৰূপে বন্ধ হৈ গৈছিল। ৰঙা ছিপাহী দলে জনসাধাৰণক আইন শৃঙ্খলাৰ দ্বাৰা বশীভূত কৰি ৰাখিছিল। মস্কোৰ ৰাজপথত শান্তি ৰক্ষা কৰা হৈছিল ঠিক; কিন্তু জনসাধাৰণে ক্ৰেমলিনৰ প্ৰভুত্ব অমান্য কৰিবলৈ সাহ নকৰিছিল।

বলছেভিক কমিউনিষ্টসকলৰ প্ৰধান নেতা অসাধাৰণ মেধাৱী আছিল। তিনি বছৰ কঠোৰ সংগ্ৰাম আৰু ৰক্তপাতৰ পিছতো তেওঁৰ দিব্যদৃষ্টিৰ দ্বাৰা প্ৰকৃত অৱস্থা দেখিবলৈ পাইছিল। প্ৰকৃত অৱস্থা উপলব্ধি কৰি তেওঁ কাৰ্য্যপদ্ধতিৰ গতিবেগ হোহোকাই আনিলে। লেনিনে বিদ্ৰোহৰ অগ্নি নুমাই দি আন পথেদি ৰুছিয়াৰ পৰিত্ৰাণৰ নতুন উপায় উলিয়ালে। অৱশ্যে তেতিয়া যি অৱস্থা ঘটিছিল তাৰপৰা কমিউনিজম নীতি অচল হৈ উঠিছিল। তিন বছৰ কাল সামৰিক শাসন নীতিৰ দ্বাৰা ৰুছিয়াক পৰিচালনা কৰাৰ ফলত দেশত শান্তি আৰু শৃঙ্খলা স্থাপিত হৈছিল। তেতিয়া দেশী ছৰ্কাৰে দেশৰ জনসাধাৰণৰ ওপৰত অসাধাৰণ প্ৰভুত্বশক্তি পৰিচালনা কৰিছিল। অৰাজকতাৰ অপেক্ষা এনেকুৱা শাসনৰ এটি বিশিষ্ট মূল্য আছে? সামৰিক শক্তি প্ৰতিষ্ঠিত ৰাজনীতিক প্ৰাধান্য তেতিয়াও অটুতভাৱে লেনিনৰ পৰিচালিত বলছেভিক দলৰ হাতৰ মুঠিত আছিল।

১৯২১ সনৰ মাৰ্চ্চ মাহ। ৰুছিয়া কংগ্ৰেছৰ অধিবেশনত লেনিনে এনে এটি পথ অৱলম্বন কৰিলে যে, তেওঁৰ দলৰ প্ৰস্তাৱ অনুসাৰে কমিউনিজম নীতি ত্যাগ কৰা হব। লেনিনৰ এই মত পৰিৱৰ্ত্তন হোৱাত ৰাজনীতিক জগতৰ ইতিহাসত এটি লেখত ধৰিবলগীয়া ঘটনা। কাৰণ কমিউনিষ্ট নীতিয়ে ঈশ্বৰৰ অস্তিত্ব নামানে। তেওঁলোকৰ মতে আত্মাই ঈশ্বৰ। ("সমস্ত ভূতত আত্মৰূপী ৰাম") ৰঙাদলে ৰুছিয়াৰ শাসনদণ্ড হস্তগত কৰি ক্ৰেমলিন প্ৰাসাদত প্ৰতিষ্ঠিত হল। গোটেই ৰুছিয়াৰ দহ কোটি নৰনাৰী তেওঁলোকৰ আজ্ঞাধীন। লেনিনে যেতিয়া কমিউনিজম নীতি ত্যাগ কৰিবলৈ ব্যৱস্থা কৰে, তেতিয়া বাহিৰৰ কোনোৱেই একো ইঙ্গিত পোৱা নাছিলো। গোটেই

নগৰ তেতিয়া শান্ত। ইমান এটি বৃহৎ পৰিবৰ্ত্তন হোৱাতো জন-সাধাৰণে বিন্দুমাত্র নাজানে। ক্রেমলিন প্রাসাদত বলছেভিকসকল সন্মিলিত হল। বাহিৰে নগৰৰ ৰাজপথ বিলাক জনশূণ্য। গৃহ শূণ্য। ঘৰ-দুৱাৰ বন্ধ। তাৰ মালিকবিলাক যেন বহুত বছৰৰ নিমিত্তে আঁতৰি গৈছে। মস্কোৰ আগৰ বেঙ্কবিভাগ জনশূণ্য। যত আগেয়ে প্রকাণ্ড বেহাৰ-বেপাৰ কৰা সদাগৰসকলে বসতি কৰিছিল. সেইসকল অট্টালিকা উদং হৈ আছে। তিনিবছৰ নগৰৰ সকলো ধৰণৰ প্রতিষ্ঠানৰ কাম-বন বন্ধ আছিল। শেহত ঘোষণা কৰি দিলে যে, ৰুছ ৰাষ্ট্ৰৰ ভিতৰত সাধাৰণভাৱে সৰু সৰু ব্যৱসায় চলাব পাৰিব। কিন্তু সেইবিলাক বেপাৰৰ কৰ্ত্তৃত্ব চৰ্কাৰৰ হাতত থাকিব। বলছেভিক সমস্বত্ববাদীসকলে ব্যক্তিগত ব্যৱসায় বাণিজ্য সমস্বত্ব-বাদৰ ঘোৰ বিৰোধী বুলি ভাৱে। যিসকল খেতিয়কে খেতি কৰিব, তেওঁলোকৰ যিমান আয় হব; তাৰে দহ ভাগৰ এভাগ খাজনা স্বৰূপে চৰ্কাৰক দিব লাগিব।

—চাৰি—

ৰুছ দেশৰ গোটেই শ্রমশিল্প লোপ পালে। উৎপন্ন দ্রব্যৰ ভঁৰাল উদং হল। দেশত তেতিয়া মহা আকাল। হয় খাদ্য-দ্রব্য উৎপাদন কৰিব লাগিব, নাইবা ধাৰ কৰি হলেও জনসাধাৰণৰ অন্ন-বস্ত্ৰৰ সংস্থান কৰি দিব লাগিব। এনেকুৱা কঠিন সমস্যা সমাধানৰ নিমিত্তে শাসন কৰ্ত্তাসকলে দেশৰ ৰক্ষিত ধন-ভঁৰাল হস্তগত কৰিলে। ১৯১৮ সনত ক্রেমলিন প্রাসাদত ৰখা যাৱতীয় ধন-ৰত্ন চৰ্কাৰে বাজেয়াপ্ত কৰিছিল। দেশৰ কোটিপতি, জমিদাৰসকলৰ অস্থাৱৰ সম্পত্তি-বিলাক ক্রেমলিন প্রাসাদত জমা আছিল। সেই ধনৰ পৰিমাণ

কম নাছিল। নানা তৰহৰ অসংখ্য মুদ্ৰা হীৰা মণি, মাণিক আদি কুবেৰৰ ধন ভঁৰালৰ নিচিনা অগণন আছিল। ইয়াৰ বাহিৰেও জাৰৰ সময়ৰ বহু ধনী মানুহৰ সম্পত্তি বাজেয়াপ্ত হোৱাত ক্ৰমে যথেষ্ট ধন ৰাজ-ভঁৰালত জমা হৈছিল। অন্ধ বিশ্বাসী ধৰ্মমন্দিৰ ৰথীয়াসকলৰ বহুত বছৰৰ পৰা সাঁচি ৰখা ধন সম্পত্তি বাজেয়াপ্ত হোৱাৰ পৰা ধনৰ পৰিমাণ আৰু বৃদ্ধি পাইছিল। ইয়াৰ দ্বাৰা পণ্য উৎপাদন শক্তিৰ নিষ্ক্ৰিয়া স্বত্বেও দেশৰ প্ৰয়োজনীয় দ্ৰব্য আদিৰ অভাব পূৰণ কৰিছিল। কিন্তু এই দৰে দীৰ্ঘ কাল চলিব নোৱাৰে। সাঁচি ৰখা ধন লাহে লাহে ক্ষয় হৈ আহিল। ৰুচ চৰ্কাৰে ৰাজ-ভঁৰালৰ পৰা ধন উলিয়াই ইমান দিনে শ্ৰমজীৱী বিলাকক অন্ন বস্ত্ৰ আৰু শ্ৰম শিল্পৰ যাৱতীয় ব্যয় যোগাৰ কৰি দিছিল। কিন্তু তেতিয়াও খনি আৰু অৰণ্যৰ পিনে কাৰো দৃষ্টি পৰা নাছিল। শ্ৰম শিল্প লাহে লাহে হ্ৰাস পাবলৈ ধৰিলে। চাৰি বছৰ এই ভাৱে চলিল। ১৯২২ সনৰ পৰা যন্ত্ৰ একেবাৰে বন্ধ হল। ব্যক্তিগত আৰু সমষ্টিগত ভাৱে ৰুছিয়াৰ সাঁচি ৰখা ধন শেষ কৰি পেলালে। খাদ্য-বস্ত্ৰ নিজৰ চেষ্টাত প্ৰস্তুত কৰি লব লাগিব সকলোৱে। আগতে যি সকলে ভোগ বিলাসত দিন কটাইছিল, এতিয়া তেওঁ লোক পথৰ ভিখাৰী। বিজুলি চাকি জ্বলাই ৰখা প্ৰাসাদৰ পিনে চাই থাকি দিন কটাব লগীয়া হৈছে। এদিন এজন সংবাদিক ভদ্ৰলোকৰ আগত আগৰ ৰাজ নন্দিনী এজনীয়ে তেওঁ আগতে বাস কৰা কাৰেঙৰ ওচৰেদি ফুৰিবলৈ যাওঁতে কৈছে— "আমি দেখোন সমাধি ক্ষেত্ৰৰ ওচৰলৈ আহিলো। মোৰ খুৰী এই কাৰেঙত আছিল। বৰ্ত্তমান ছভিয়েট চৰ্কাৰৰ এটি বিভাগৰ কাৰ্য্যালয়। ইয়াতে খুৰীৰ মৃত্যু হয়। সৌ যে ওচৰতে ফুলনিখন দেখিছে, তাত আমাৰ খুৰাক গুলি মাৰি হত্যা কৰিছে। মোৰ পিতা-মাতাক

এই কাৰেণতে মাৰিছে। সমুখৰ এই সৰু ধুনীয়া পকি ঘৰৰ ভিতৰতে মোৰ খুৰাৰ লৰা ভাইৰ গুলিৰ আঘাতত মৃত্যু হৈছে। বৰ্গা ছিপাহী-বিলাকক বাধা দিবলৈ ধৰোতে সি প্ৰাণ হেৰুৱাইছে। যি সকলক মই ভাল পাইছিলো, ভক্তি কৰিছিলো; তেওঁ লোকৰ প্ৰেতাত্মাবিলাকে মোৰ ফালে চাই নিশ্চয় উপহাস কৰিছে। কি কৰিম, তথাপি মই জীয়াই থাকিব লাগিব। বহুত কাম মোৰ বাকী আছে। ৰুছি-য়াই আমাৰ শক্তি-সামৰ্থ্যৰ প্ৰতীক্ষা কৰিছে। অতীতক পাহৰি এতিয়া নতুনক অভিনন্দন কৰিব লাগিব এয়ে আমালোকৰ কৰ্ত্তব্য।"

—পাঁচ—

১৯১৭ সনৰ পৰা ১৯২১ সনলৈকে ৰুছ-চৰ্কাৰৰ শাসন নীতি সিমান পেগত হৈ উঠা নাছিল। অৱশেষে বলছেভিকসকলে ১৯১৭ সনতে ৰাজ দণ্ড হাতত লৈ ঘোষণা কৰিছিল:—

১। ব্যক্তিগত ধন সম্পত্তি কাৰো থাকিব নোৱাৰে। জমিদাৰী মহল, দেৱোত্তৰ আদি সকলো মাটি ৰাষ্ট্ৰৰ সম্পত্তি। জিলাবিলাকত একোটাকৈ সমিতি থাকিব। মাটি সম্বন্ধীয় সকলো ক্ষমতা সেই সমিতিৰ হাতত থাকিব। এই সমিতিৰ নাম—"খেতিয়ক প্ৰতিনিধিৰ জিলা সমিতি।" যি সকলে মাটি আবাদ কৰিব তাকে মাটিৰ অধিকাৰ দিয়া হব।

২। স্থানীয় বলছেভিক কৰ্ম্মীসকলেৰে গঠিত শান্তি ৰক্ষাৰ নিমিত্তে সৈনিকদল গঠন।

৩। শ্ৰমিকসকলে দৈনিক আঠ ঘণ্টা কাম কৰিব। যিবিলাক শ্ৰমিকৰ আকস্মিক দুৰ্ঘটনা হৈ অকামিলা হব, তেওঁলোকক চগুণ পেন্সন দিব লাগিব।

৪। সমাজত পদ মৰ্য্যদা, শ্ৰেণী বিভাগ থাকিব নোৱাৰে। ৰুছিয়া-বাসী মাত্ৰে সকলো সমান। তাত ভেদ চিন থাকিব নোৱাৰে।

৫। ব্যবসায়ীসকলে অন্যায় লাভ লব নোৱাৰে।

৬। কাৰখানাৰ লগত যিবিলাক চিকিৎসালয় আছে, সেইবিলাক নৰিয়া শ্ৰমিকৰ স্বাৰ্থৰ অনুকূলে থাকিব।

৭। যিবিলাক কাৰখানাত চিকিৎসালয় নাই, তাত স্বত্বাধিকাৰী সকলে নৰিয়া চিকিৎসালয় পাতি দিব লাগিব।

৮। শ্ৰম শিল্প, বেপাৰ-বাণিজ্য, ধাৰৰ আদান প্ৰদান, কৃষি, যান-বাহন আদি সকলো প্ৰকাৰ দ্ৰব্য উৎপাদনৰ নিমিত্তে সহযোগিতামূলক যিমান অনুষ্ঠান আছে সেই বিলাক কৰ্ম্মী সঙ্ঘৰ তলতীয়া কৰি দিয়া হব।

৯। সৈনিক বিভাগৰ কৰ্ম্মচাৰী সকলৰ উচ্চ-নীচ ভেদভাৱ থাকিব নোৱাৰে। সকলোৰে দৰমহা সমান হব লাগিব। সাধাৰণ সৈনিক আদি কৰি সকলোকে সেনাপতি নিৰ্ব্বাচনৰ ভাৰ দিয়া হব।

১০। খেতিয়কসকলক বিনা লাভে খেতিৰ সজুলি আদি দিয়া হব। বলছেভিকদলে ৰুছিয়াৰ শাসনভাৰ হাতত লৈয়ে ওপৰোক্ত তালিকা মতে কাম কৰিবলৈ যত্ন কৰিছিল। যদিও বিদ্ৰোহ অনল তেতিয়াও জ্বলি আছিল।

১৯১৮ সনৰ জুলাই মাহ। নিখিল ৰুছিয়া চভিয়েট কংগ্ৰেছৰ এখন অধিবেশন বহে। এই অধিবেশনত ৰুছিয়াৰ কৰ্ম্মী, সৈনিক, খেতিয়ক, শ্ৰমিক আদিৰ প্ৰতিনিধিৰ দ্বাৰা শাসন কৰা সাধাৰণ গণতন্ত্ৰ বুলি স্থিৰ কৰিলে।

সমাজৰ এক শ্ৰেণীৰ মানুহে নিজৰ স্বাৰ্থৰ নিমিত্তে আনৰ ধন সম্পত্তি আত্মসাৎ কৰিব নোৱাৰিব। ব্যক্তিবিশেষৰ ধন-সম্পত্তি থাকিব নোৱাৰে। মাটি বন, খনি, নদী, সমুদ্ৰ সকলো ৰাষ্ট্ৰৰ

সম্পত্তি। প্ৰত্যেকে পৰিশ্ৰম কৰিব লাগিব। দীন-দৰিদ্ৰ, শ্ৰমজীৱী আৰু খেতিয়কৰ লৰা ছোৱালীক শিক্ষা দিয়াৰ ব্যৱস্থা থাকিব।

লেনিনৰ মতে খেতিয়কৰ মাটিত যি শস্য উৎপাদন হব, তাৰে দহভাগৰ এভাগ খাজনা দিবই লাগিব। যি সকলে খেতি নকৰে, তেওঁলোকৰ নিমিত্তে এই এভাগে যথেষ্ট হব। যিবিলাক মানুহ নগৰত থাকে, কাৰখানাত কাম কৰে আৰু চৰ্কাৰী কাম কৰে; তেওঁলোকে অখেতিয়ক শ্ৰেণীৰ মানুহ।

ৰুচিয়াত যিবিলাক বস্তু পাবলৈ নাই, সেইবিলাক দেশতে তৈয়াৰ কৰিব। যিমান দিনলৈকে তৈয়াৰ কৰিব নোৱাৰে, সিমান দিনলৈকে আন দেশৰ পৰা চৰকাৰে আনি দিব। দেশত প্ৰস্তুত নোহোৱা কোনো বস্তু কোনো বেপাৰীয়ে আনি ব্যৱসায় কৰিব নোৱাৰিব। খেতিয়কসকলৰ দৰ্কাৰৰ বাহিৰে যি শস্য বেছি থাকিব তাক চৰ্কাৰে নিজে কিনি লব। তিনি বছৰৰ পৰা সাত বছৰীয়া লৰা ছোৱালীৰ নিমিত্তে শিশুনিবাস থাকিব। পোন্ধৰ বছৰৰ পৰা পৰা ছোৱালীৰ খোৱা-লোৱা বিষয় কোনো চিন্তা কৰিব নালাগে। ষোল বছৰলৈকে বাধ্যতামূলক বহুমুখী শিক্ষাৰ ব্যৱস্থা থাকিব। বলছেভিক সকলে অকল ৰুচিয়াতে সমস্বত্ববাদৰ সীমা ৰাখি বহি নাথাকে। গোটেই মানৱ জাতিক ধনী আৰু সাম্ৰাজ্যবাদ ৰাক্ষসৰ মুখৰ পৰা উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিব।

—ছয়—

ৰুচিয়াৰ বিদ্ৰোহৰ সময়ৰ পৰা পাঁচ বছৰলৈকে ৰুছিয়াৰ যি বিলাক বাতৰি ইউৰোপ, আমেৰিকা আদি ঠাইত বিয়পি পৰিছিল, সেই বাতৰি একেবাৰে সত্য নাছিল। বলছেভিক শাসনত ৰুছিয়াৰ

বিষয় বাতৰি কাকতত নানা কথা প্ৰচাৰ হলেও সকলো দেশৰ জনসাধাৰণৰ মনত ৰুছিয়াৰ বিষয় এটি ৰহস্য হৈ গৈছিল। প্ৰচাৰ কাৰ্য্য এনেভাৱে চলিছিল যে নিৰপেক্ষ লোকৰ পক্ষে কোনো মতামত দিয়া সহজ নাছিল। দুয়োপক্ষই নিজ নিজ দলৰ অনুকূলে প্ৰচাৰ কৰিছিল। ১৯১৭ সনত ৰুছিয়াৰ ৰাষ্ট্ৰবিদ্ৰোহ ঘটে। আৰ সিংহাসনচ্যুত হল। এই আকস্মিক ঘটনাত গোটেই জগত চমকিত হৈ উঠিল। ৰাষ্ট্ৰবিদ্ৰোহৰ ফলত একবিন্দু ৰক্তপাত হোৱা নাই। এই বাতৰি তেতিয়া সভ্য দেশবিলাকত প্ৰচাৰ হৈছিল। কিন্তু কোনো লোকে এই কথা বিশ্বাস কৰিব পৰা নাছিল। তেতিয়া গোটেই সভ্য দেশৰ দৃষ্টি আছিল-ৰুছিয়াৰ পিনে। ইউৰোপৰ মহাযুদ্ধৰ ফলাফল তেতিয়াও নিৰ্ণয় হোৱা নাছিল। এই বিদ্ৰোহৰ সঠিক বাতৰি পাবলৈ ইউৰোপ, আমেৰিকা আদি কৰি আটাইবিলাক দেশে অপেক্ষা কৰি আছিল। এনেতে ৰুছিয়াৰ অৱস্থাৰ পৰিবৰ্ত্তন ঘটিল। তেতিয়া তাত অস্থায়ী চৰ্কাৰে শাসন ভাৰ লৈ ৰাজ্য পৰিচালনা কৰিবলৈ ধৰিলে। সেই শাসন ক্ষমতা বলপূৰ্ব্বক লেনিন আৰু ট্ৰট্স্কি ৰুছিয়াৰ শাসন কাৰ্য্য চলাবলৈ ধৰিলে। তেতিয়া গোটেই জগতে বিস্ময় মানিলে। যিসকলে ৰুছিয়াৰ শাসন ভাৰ ললে, তেওঁলোক একেবাৰে আন প্ৰকৃতিৰ, আন আন দেশ আৰু জাতিৰ আদৰ্শৰ পৰা একেবাৰে বেলেগ। বলছেভিকদলে স্বদেশৰ জন সঙ্ঘৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি নিজ ৰাষ্ট্ৰৰ ভিতৰত বিৰুদ্ধ শক্তিৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ ব্যৱস্থা কৰিলে। ঘৰৰ ওচৰৰ শত্ৰু জাৰ্ম্মাণিৰ লগত সন্ধি স্থাপন কৰিবলৈ আগ বাঢ়িল। এই সন্ধিৰ লগে লগে ৰুছিয়াৰ আগৰ মিত্ৰ শক্তিসকলৰ পৰা বান্ধি কাটি পেলালে।

১৯১৮ সনৰ পৰা ১৯২১ সনলৈকে ৰুছিয়াই বহিৰ্জগতৰ লগত সম্পূৰ্ণ সম্বন্ধ ছেদন কৰি দিন কটালে। আগৰ মিত্ৰশক্তিক বাধা দিবলৈ এটি সীমা ৰেখা দিলে। ইয়াত বুজাই দিলে—সাৱধান, এই সীমা-ৰেখাৰ ভিতৰত কোনোৱে প্ৰবেশ কৰিব নোৱাৰে। ইয়াৰ পিছতে ভীষণ উত্তেজনাপূৰ্ণ দৃশ্য—গৃহযুদ্ধ—ৰক্তবিভীষিকা ৰুছিয়াৰ ভিতৰত। ৰুছিয়াৰ ভিতৰৰা কথা জানিবলৈ পথ বন্ধ হল। কেৱল বাতৰি কাকতত প্ৰচাৰ হোৱা কথাৰ ওপৰত নিৰ্ভৰ কৰি চলিব লগীয়া হল—আন আন দেশবাসীয়ে। ৰঙাদলটোতকৈ বগাদলটোৱে এই বিষয় বোৰ সুবিধা পাইছিল। বগাদলৰ প্ৰচাৰ কাৰ্য্য ৰুছিয়াৰ বাহিৰে বিপুল ভাবে চলিছিল। গতিকে সৰ্ব্বসাধাৰণৰ সহানুভূতি পাইছিল তেওঁলোকে সহজে। ইউৰোপ আৰু আমেৰিকাই বলছেভিক ৰুছি-য়াৰ যিটো মূৰ্ত্তি দেখিবলৈ পাইছিল, সেই বগাদলৰ বৰ্ণোৱা বিবৃতিৰ পৰা। ৰিভাল আৰু হেলছিং ফোৰ্ছত বগাদলৰ বিৰাট প্ৰচাৰ সমিতি আছিল। এই দুখন ঠাইৰ পৰা প্ৰচাৰ কাৰ্য্য চলিছিল। কিন্তু এইবিলাক বাতৰিত অতিৰঞ্জিতৰ ছেকা অতি মাত্ৰা লগাইছিল। পেৰি আৰু লণ্ডনত বগাদলে প্ৰচাৰ সমিতি স্থাপন কৰিছিল আৰু বলছেভিক নীতিৰ বিৰোধী প্ৰত্যেক দলৰ প্ৰচাৰ কেন্দ্ৰ আছিল। তাৰ ভিতৰত যিবিলাক আগৰ জাৰৰ পক্ষাৱলম্বী তেওঁলোকৰ পক্ষৰ পৰা বলছেভিকসকলক আক্ৰমণ কৰিছিল—অধিক পৰিমাণে।

১৯২১ সন। ছভিয়েট ৰুছিয়া চৰ্কাৰে যেতিয়া বাহিৰৰ সংবাদিক-সকলক ৰাষ্ট্ৰৰ ভিতৰত প্ৰবেশ কৰিবলৈ দিলে, তেতিয়া দেশৰ সৰ্ব্বসাধাৰণে বাহিৰৰ খবৰ-বাতৰি জানিবলৈ বিয়াকুল হৈ উঠিল। এই বছৰতে ৰুছিয়াত ভীষণ দুৰ্ভিক্ষ হয়। তেতিয়া ৰিগাত ৰুছিয়াৰ বৈদেশিক মন্ত্ৰী লিটভেনভেৰৰ লগত ওৱাটাৰ লিমেন ব্ৰাউনৰ যি

চুক্তিপত্র হয়, তাত এটি সর্ত্ত আছিল—ছভিয়েট ছৰ্কাৰক স্বীকাৰ কৰা। আমেৰিকাৰ তৰফৰ পৰা ৰুছিয়াৰ যিবিলাক কাৰ্য্য হয়, সেই বাতৰি আমেৰিকালৈ পঠাব পাৰিব। এই নিমিত্তে আমেৰিকাৰ সংবাদিকসকলক অবাধে প্রবেশ অধিকাৰ দিব লগীয়া হল। ছভিয়েট ছৰ্কাৰে অঙ্গীকাৰ কৰিলে—আমেৰিকাৰ এই যত্নত তেওঁলোকে বাধা নিদিয়ে। কিন্তু সংবাদিকসকলে যিবিলাক বাতৰি আন আন দেশলৈ লিখি পঠাই সেই বিলাকৰ ঠায়ে ঠায়ে উঠাই দিহে ছৰ্কাৰে আন দেশলৈ পঠাইছিল। যি বাতৰি ৰুছ ছৰ্কাৰৰ প্রতিকূলে আছিল, সেই বিলাক বাতৰি তেতিয়া আন আন দেশৰ লোকে গম পোৱা নাছিল।

—সাত—

১৯২৪ সনৰ পৰা ১৯৩০ সন। বৰ্ত্তমান ৰুছিয়াৰ জনসাধাৰণ কমিউনিষ্ট নহয়। গণতন্ত্রীও নহয়। ৰুছিয়াত সমস্বত্ববাদ নীতি অনুসাৰে শাসনপদ্ধতি চলিলেও প্রকৃত পক্ষে ৰুছিয়াৰ ছৰ্কাৰ ৰক্ষণশীল। বোধকৰো এনে ৰক্ষণশীল ছৰ্কাৰ ইউৰোপত নাই। বৰ্ত্তমান সমস্বত্ববাদ দলৰ নেতা বেছি ভাগে এই সত্য উপলব্ধি কৰি সেইমতে কাৰ্য্য-পদ্ধতি নিয়ন্ত্রিত কৰিছে। ৰুছিয়াই যদি সমস্বত্ববাদ নীতি ত্যাগ কৰিছে, তেনেহলে বৰ্ত্তমান কি নীতি অৱলম্বন কৰিছে? বহুদৰ্শীসকলে কয় যে ১৯২৪—১৯৩০ সনলৈকে ৰুছিয়াৰ অৱস্থা সুবিধাবাদী লিমিটেড কোম্পানী স্বৰূপ আছিল। ক্রেমলিন প্রাসাদৰ ভিতৰত থাকি যিসকলে দেশৰ শাসন নীতি নিৰ্দ্ধাৰিত কৰি দিছে, তেওঁলোকে সমস্বত্ব-বাদ-নীতি ওফোৰাই দি সেই ঠাইত স্বাৰ্থ-সিদ্ধিৰ পন্থা নিৰ্দ্দেশ কৰি দিছে। সমস্বত্ববাদীদলৰ ৰাজনীতিক ধুৰন্ধৰসকলে কি উচ্চ, কি

নিম্ন বিষয়া প্ৰত্যেকে নিজৰ দলৰ আৰু ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ নিমিত্তে ব্যস্ত। যিসকল নেতৃস্থানীয় লোকে দেখিছে যে, কোন কাৰ্য্যৰ দ্বাৰা তেওঁলোকৰ ৰাজনৈতিক সুবিধাৰ সাৰ্থকতা ঘটিব। যিসকল মধ্যম ধৰণৰ, তেওঁলোকে ভাবিছে কেনেকৈ ধন ঘটিব পাৰে। নতুন ৰুছিয়াত জীয়াই থাকিবলৈ অৰ্থৰ প্ৰয়োজন। এই কথাৰ দ্বাৰা এইটো নুবুজায় যে, সমস্বত্ববাদী দলৰ সকলোৱে স্বাৰ্থান্বেষী হৈ সুবিধাবাদী হৈছে। এতিয়াও তাত এনে কৰ্ম্মী আছে, যিসকলে চৰ্কাৰী কাৰ্য্যত নিযুক্ত থাকিও বিশ্বস্তভাৱে স্বধৰ্ম্ম পালন কৰিছে। কিন্তু এনে ধৰণৰ কৰ্ম্মীৰ সংখ্যা নিচে তাকৰ। জগতৰ সকলো ঠাইতে ত্যাগী পুৰুষৰ সংখ্যা কম। যি কম সংখ্যক লোক থাকে, তেওঁলোকৰ আদৰ্শত অনুপ্ৰাণিত হৈ যিবিলাকে কৰ্ম্মক্ষেত্ৰত প্ৰৱেশ কৰে, সেই তাকৰ সংখ্যক ত্যাগী পুৰুষৰ নিস্বাৰ্থ মহাপুণ্যৰ প্ৰভাৱত সেইবিলাকেও সাময়িকভাৱে দেশৰ কামত জন-সাধাৰণৰ নিমিত্তে আত্ম নিয়োগ কৰে। তাৰ ফল স্বৰূপে এখন দেশ বা এটা জাতিয়ে সাধনাৰ পথত বিজয়ী-পতকা উৰুৱায় দিব পাৰে। ৰুছিয়াত সুবিধাবাদী নীতি প্ৰচলিত হোৱাত বহুত নেতাৰ হৃদয়ত বেদনা জাগি উঠিছে। এওঁলোক এতিয়াও মনে-প্ৰাণে সমস্বত্ববাদ নীতিৰ উপাশক।

—আঠ—

স্বাধীনতাৰ নিমিত্তে ৰুছিয়াৰ জনসাধাৰণৰ মাজত জাগৰণ হলেও, ৰুছ ভূপতিৰ পতনৰ পিছতো প্ৰভুৰ চামতাৰ স্মৃতি জনসাধাৰণৰ মনৰ ওপৰত সম্পূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিছে। বাস্তৱিকতে ৰুছিয়াৰ জনসাধৰণক চামতাৰ কোৰ নহলে কোনো কাৰ্য্য সিদ্ধ কৰিব

নোৱাৰিছিল। শত শত বছৰ ধৰি প্ৰভুৰ ইঙ্গিতত জনসাধাৰণে কাম কৰি আছিল। জমিদাৰৰ আদেশ অমান্য কৰিবলৈ কাৰো সাধ্য নাছিল। বহুকালৰ অভ্যাস স্বভাৱত পৰিণত হৈছে। যাৰ হাতত চামতা থাকে, সেৱেঁই সিহঁতৰ প্ৰভু। এই জ্ঞান আছিল ৰুছিয়াৰ জনসধাৰণৰ। চিৰকাল যি জাতি চমতাৰ কোব খাই পৰিচালিত হৈছিল সেই জাতিৰ বিনা চামতাৰ কোবত কিবা কাম সিদ্ধ হব পাৰে নে? বেছি পুৰণি কথা নহয়। ১৯০৬ সনত মস্কো নগৰত পুলিছে ছুটিৰ দিনত গাৰ্বলৈ গৈ খেতিয়কবিলাকক ধূলি বালি থকা আলিৰ ওপৰত জানুপাতি বহুৱায় আমোদ উপভোগ কৰিছিল। সেই নীৰিহ খেতি-য়ক সকলে ভাবিছিল যে, পুলিছবিলাকো তেওঁলোকৰ প্ৰভু। যদি দণ্ডৰ কোনো আকাঙ্ক্ষা নাথাকে, তেনেহলে ৰুছিয়াৰ মানুহৰ দ্বাৰা কোনো কাম নহয়। খেতিয়কসকল অৱশ্যে সাধু প্ৰকৃতিৰ। কিন্তু সহজে কোনো কামত মন দিবলৈ নোখোজে। এৰাব পাৰিলে ৰক্ষা। দুৰ্ভিক্ষত কলমলাই মৰিলেও সোবোপা ভাব দূৰ নহয়। ৰুছিয়াত ভীষণ দুৰ্ভিক্ষ হোৱাত আমেৰিকাৰ পৰা দুৰ্ভিক্ষ নিবাৰণৰ নিমিত্তে খাদ্য বিতৰণ কৰিছিল।

—ন—

সমস্বত্ববাদী দলৰ যি কাৰ্য্য তালিকা আছে; সেই মতে তাৰ সভ্য সকল চলিবলৈ বাধ্য। নিৰ্ব্বাচনৰ সময়ত বিন্দু মাত্ৰ দয়া দেখু-ৱাব নোৱাৰে। এই দলৰ নেতাসকলে গোটেই দেশ ভ্ৰমণ কৰি যত নিজৰ দলৰ লোক আছে, তাতে সাময়িক বিচাৰালয় স্থাপন কৰে। ১৯২৩-২৪ সনলৈকে এই নীতি মতে সমস্বত্ববাদী দলৰ ৫০।৬০ জন সভ্য দলচ্যুত হৈছে। এতিয়া এই দলৰ তিনি লাখ

বিশ্বস্ত সভ্য আছে। এনেকুৱা সূক্ষ্ম বিচাৰ আৰু কঠোৰ প্ৰণালী কোনো দেশতে নাই। এই দলৰ শৃঙ্খলা প্ৰচুৰ। এই দলৰ নেতা-সকলে প্ৰত্যেক সভ্যৰ ঘৰুৱা খবৰ বাতৰি ৰাখি থাকে। কোনো ধৰ্ম্ম সংক্ৰান্ত সভা সমিতিত এই দলৰ কোনো সভ্যই যোগ দিব নোৱাৰে। কোনো ধৰ্ম্ম মন্দিৰত কাৰো বিয়া পাতিবলৈ সাধ্য নাই। যদি কোনোবাই ধৰ্ম্ম মন্দিৰত কোনো অনুষ্ঠান সম্পাদন কৰে, তেনে-হলে তৎক্ষণাৎ তেওঁক দলৰ পৰা বাদ দিয়ে। প্ৰত্যেক নিষ্ঠাবান সমস্বত্ববাদী লোক কোনো ৰকমৰ সুৰাপানৰ বিৰোধী। ক্ৰেমলিন প্ৰাসাদত ধীৰ স্থিৰ বিশুদ্ধ প্ৰকৃতিৰ লোক সকল থাকে। এনে চৰিত্ৰৱান লোক জগতত বিৰল। যদি এই দলৰ কোনো লোকে দলৰ বিৰুদ্ধ আচৰণ কৰা বিন্দু মাত্ৰ গম পায়, তেনেহলে এই দলৰ কৰ্ত্তৃপক্ষই তেওঁক নিৰ্দ্দয়ভাৱে দণ্ড কৰে।

জাৰৰ পতনৰ পিছত যিমানবিলাক বিভিন্ন মতবাদ আৰু আদৰ্শ প্ৰচাৰ হৈছিল, তেওঁলোকৰ কাৰো স্থিৰ লক্ষ্য নাছিল। কেৱল মাত্ৰ সমস্বত্ববাদীদলৰ দৃঢ়তা, একাগ্ৰতা আৰু লক্ষ্য স্থিৰ আছিল দেখিয়েই তেওঁলোকে সাফল্য লাভ কৰিছে। এই দলৰ কোনো ৰকমৰ অভাৱ নাছিল। তেওঁলোকৰ নিমিত্তে সুন্দৰ ঘৰ আৰু শুশ্ৰূষা কৰাৰ নিমিত্তে ভাল বন্দৱস্ত আছিল। কিন্তু তেওঁলোকে নিজৰ আহাৰ নিজে প্ৰস্তুত কৰি লৈছিল। এই স্বাৱলম্বী সমস্বত্ব-বাদীসকলে ৰুছিয়াৰ ভাগ্য বিধাতা হৈছে। বিচাৰ বিভাগ, শাসন বিভাগ এওঁলোকৰ হাততে। মন্ত্ৰণা ঘৰৰ বন্ধ খোটালীৰ ভিতৰত বহি দলভুক্ত ঋষিসকলে ৰাষ্ট্ৰৰ ভৱিষ্যত নিৰ্দ্ধাৰণ কৰে। পিছত নিৰ্দ্ধাৰিত বিষয়টো ছৰ্কাৰী হিছাপে প্ৰচাৰ হয়। গোটেই ৰুছিয়াৰ ওঠৰ শ প্ৰতিনিধিৰ ভিতৰত মুঠে দুশজন সমস্বত্ববাদীদল ভুক্ত নহয়।

সমস্বত্ববাদীদলৰ মুঠ সংখ্যা পাঁচ লাখ। দহকোটি লোকসংখ্যাৰ ভিতৰত এই সংখ্যা একেবাৰে নগণ্য। কেন্দ্ৰীয় চৰ্কাৰৰ পৰা যিভাৱে কাৰ্য্য কৰিবলৈ আদেশ দিয়ে, সেই মতে চলিব লগীয়া হয়। যিখন জিলাত ওঠৰ হাজাৰ লোকৰ বাস, তাত ওঠৰজনৰ অধিক সমস্বত্ববাদী নাই। এই তাকৰ সংখ্যক লোকে জনসাধাৰণক শাসন কৰে। গোটেই শক্তি তেওঁলোকৰ হাতত। চোৰাংচোৱা পুলিচে তেওঁলোকৰ ইঙ্গিতত কাম কৰে। সমস্বত্ববাদ বিৰোধী লোকে কেতিয়াও নিৰ্ব্বাচনত নিৰ্ব্বাচিত হব নোৱাৰে। অৱশ্যে তেতিয়া সকলো লোকক ভোটৰ অধিকাৰ দিয়া নাছিল। সমস্বত্ববাদীসকলে কয় যে, ভোটৰ অধিকাৰ পিছত দিয়া হব। যেতিয়ালৈকে অৱস্থা নিৰাপদ বুলি তেওঁলোকে নাভাৱে, তেতিয়ালৈকে অধিক স্বাধীনতা দিবলৈ ৰাজী নহয়। সমস্বত্ববাদীসকলে তেওঁলোকৰ প্ৰাধান্য বজাই ৰাখিবলৈ ইচ্ছা কৰে। সেই কথা গোপন কৰিবলৈ তেওঁলোকৰ দৰ্কাৰ নাই। এই সময়ত যদি দৃঢ়তা অৱলম্বন নকৰে, তেনেহলে ৰাষ্ট্ৰ শাসন কৰা সহজ নহব। লেনিন যিমান দিন জীয়াই আছিল, সিমান দিন তেওঁৰ মতে ৰাষ্ট্ৰ পৰিচালনা হৈছিল। এতিয়া পাঁচ-ছয়জন নেতাই মস্কোৰ পৰা ৰুছিয়াক শাসন কৰে। লেনিনৰ মৃত্যু পিছত বলছেভিক চৰ্কাৰ বিপন্ন হব বুলি বহুতে ভাবিছিল। কিন্তু তেওঁৰ মৃত্যুৰ দুবছৰ আগতে তেওঁ দলৰ নেতৃত্ব ইস্তফা দিয়ে। এই দুবছৰ তেওঁ কোনো কামতে হাত দিয়া নাছিল জনসাধাৰণে এই কথা গম পোৱা কঠিন আছিল। মৃত্যুৰ পিছতো সমস্বত্ববাদীদলে লেনিনৰ দোহাই দি কাম কৰিছিল। বৰ্ত্তমান লেনিনৰ মতবাদ বিজয়ী পতকাউকৰায় দি সমস্বত্ববাদীসকলে ৰুছিয়া শাসন কৰিছে

মানুহৰ জীৱনৰ প্ৰধান গুণ—সাহ আৰু নম্ৰতা। ইয়াৰ পৰা প্ৰকৃত সৎশক্তিৰ উৎপন্ন হয়। ইয়াৰ বিপৰীত হৈছে অসাধু, কাপুৰুষালী আৰু দুৰ্ব্বলতা। কোনো মানুহৰ সাহসক দৰ্প চূৰ্ণ কৰিব পাৰিলে তেওঁ তোমাৰ পদানত হব—এই কথা যি জনে ভাবে, তেওঁ অধোগতিৰ পথগামী হয়। এই জগতত এনে মানুহ আছে—জীৱনৰ অতি কঠোৰ পৰীক্ষাত অচল অটল থাকি বীৰৰ দৰে সকলো ৰকম অসাধুতা, কাপুৰুষতা আৰু নীচতাৰ পৰা নিজক ৰক্ষা কৰিব পাৰে—তেৱেঁই জাতিৰ নেতা। তেৱেঁ সেনাপতি। তেৱে জনসাধাৰণৰ নিমিত্তে, নিজৰ দেশৰ নিমিত্তে আত্মাহুতি দি বীৰৰ নিচিনা পূজ্য হয়। এই গুণৰ মহিমাৰ দ্বাৰা ৰুছিয়াক গঢ়ি তুলিছে—লেনিনে

—দহ—

বৰ্ত্তমান ৰুছিয়াৰ হৰ্ত্তাকৰ্ত্তা বিধাতা ষ্টেলিন। পৃথিবীৰ কোনো শক্তিয়ে আজি ৰুছিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিবলৈ সাহ নকৰে। ৰাজনীতি, অৰ্থনীতি, সমাজনীতি সকলো বিষয়তে ৰুছিয়াই শীৰ্ষস্থান অধিকাৰ কৰিছে। ৰুছিয়াৰ শাসন কাৰ্য্য পৰিচালনা হৈছে—গণতন্ত্ৰৰ দ্বাৰা। সমস্বত্ববাদী ৰুছিয়া চৰকাৰে প্ৰত্যেক পাঁচ বছৰৰ নিমিত্তে কিছুমান জনহিতকৰ কামৰ আঁচনি কৰি লয়। সেইদৰে কৃতকাৰ্য্য হৈ ৰুছিয়া চৰকাৰে জগতৰ আগত এটি মহান আদৰ্শ দাঙি ধৰিব পাৰিছে। বৰ্ত্তমান ৰুছিয়াৰ ৰাষ্ট্ৰপতি মঃ ষ্টেলিনে সমস্বত্ববাদী দলৰ অষ্টাদশ অধিবেশনত (১৯৩৯ সনৰ ১২ মাৰ্চ্চ তাৰিখে) যি বক্তৃতা দিছিল, তাৰ পৰা ৰুছিয়াৰ বৰ্ত্তমান অৱস্থা জানিবলৈ আন ৰাষ্ট্ৰবিলাকেও সুবিধা পাইছে। তেওঁৰ বক্তৃতাৰ অংশ তলত দিয়া হল :--

"সমস্বত্ব বাদী সকলৰ সপ্তদশ অধিবেশনৰ পৰা পাচঁ বছৰ অতীত হল। ইয়াৰ ভিতৰত জগতত বহুত পৰিবৰ্ত্তন ঘটিছে। এই সময়ৰ ভিতৰত আন্তৰ্জাতিক পৰিস্থিতিৰ আচল পৰিবৰ্ত্তন কি হৈছে? আন্তৰ্জাতিক ক্ষেত্ৰত আৰু আন আন ৰাষ্ট্ৰৰ পৰাস্পৰ সম্বন্ধৰ ভিতৰত বহুতো পৰিবৰ্ত্তন ঘটিছে। আন্তৰ্জাতিক সমস্যাত আৰু আভ্যন্তৰীণ সমস্যাত আমাৰ দেশত কি পৰিবৰ্ত্তন আহিছে? তাৰ আচল কাৰণ কি?

ধনতান্ত্ৰিক ৰাষ্ট্ৰবিলাকত এই সময় কি অৰ্থনীতিক ক্ষেত্ৰত, কি ৰাজনীতিক ক্ষেত্ৰত এটি বিশেষ ধৰণৰ গোলমাল হৈছে। অৰ্থনীতিক ফালৰ পৰা এই সময়ক এটা বিপৰ্য্যয় যুগ বুলিব পাৰি। ১৯৩৭ সনৰ মাজ ভাগৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেন আৰু ফ্ৰান্সৰ শিল্পৰ অৱনতি ঘটিছে। পিছৰ কেবছৰত অৱস্থা আৰু জটিল হৈ উঠিছে।

ৰাজনীতিক ফালৰ পৰা এই সময়ক গুৰুতৰ ৰাজনীতিক সংঘৰ্ষৰ যুগ বুলিব পাৰি। দ্বিতীয় বছৰৰ পৰা আৰম্ভ কৰি ছাংহাইৰ পৰা জিব্ৰলটাৰলৈকে এটা সাম্ৰাজ্যবাদৰ যুদ্ধ চলিছে। পঞ্চাশ কোটি লোক এই যুদ্ধত লিপ্ত। ইউৰোপ, আফ্ৰিকা আৰু এচিয়াৰ মানচিত্ৰৰ যথেষ্ট পৰিবৰ্ত্তন হৈছে। মহাযুদ্ধৰ পিছৰ তথাকথিত শান্তি যুগৰ মুল ভেতি শিথিল হৈ পৰিছে। কিন্তু বৰ্ত্তমান ছভিয়েট যুক্তৰাষ্ট্ৰৰ গতি চলিছে বিপৰীত পিনে। ৰুছিয়াৰ সমৃদ্ধি বাঢ়িছে। অৰ্থনীতিক অৱস্থাৰ উন্নতি হৈছে। ৰাজনীতিক আৰু সামৰিক শক্তি বৃদ্ধি পাইছে। ৰুছিয়াই বিশ্বশান্তিৰ নিমিত্তে যুঁজিছে। এয়ে হল বৰ্ত্তমান সাধাৰণ চিত্ৰ।

১৯২৯ সনৰ শেষ ভাগৰ পৰা ধনতান্ত্ৰিক ৰাষ্ট্ৰবিলাকত অৰ্থনীতিক

সঙ্কটে দেখা দিয়ে। তাৰ প্ৰতিক্ৰিয়া ১৯৩৭ সনলৈকে আছিল। এই সঙ্কটৰ পিছত এই ৰাষ্ট্ৰবিলাকত শিল্পৰ যৎকিঞ্চিৎ উন্নতি দেখা যায়। ১৯৩৭ সনতো অৰ্থনীতিক সঙ্কটে দেখা দিয়ে। ইয়াৰ ফলত আমেৰিকা যুক্তৰাষ্ট্ৰত ক্ষতি হয়—বেছি পৰিমাণে।

বৃটেন, ফ্ৰান্স আৰু আন কিছুমান ৰাষ্ট্ৰইও ইয়াৰ পৰা সাৰিব পৰা নাই। দেখা যায় ধনতান্ত্ৰিক দেশবিলাকত অৰ্থনীতি সমস্যা এটাৰ পিছতে আন এটি সঙ্কটে দেখা দিছে। ইয়াৰ পৰা নিবনুৱা সমস্যা জটিল হৈ উঠে। ১৯৩৩ সনত নিবনুৱা সংখ্যা আছিল তিন কোটি। ১৯৩৭ সনত কমহৈ এককোটি চল্লিশ লাখ হৈছে। কিন্তু নতুন অৰ্থনীতিক সঙ্কটৰ ফলত নিবনুৱা সংখ্যা বৃদ্ধি হৈ এককোটি আশী লাখত পৰিছে। সমৰ সঙ্কটৰ নিচিনা এই নতুন সঙ্কটে দেশৰ শিল্প সমৃদ্ধিৰ পথত হেঙাৰ দিছে।

ইপিনে জাপান আৰু চীনৰ সংগ্ৰামৰ ফলত ব্যৱসায় বাণিজ্যৰ এটি বিশৃঙ্খল ঘটাইছে। আন পিনে জাৰ্ম্মাণি আৰু ইটালী তেওঁলোকৰ সমুদায় অৰ্থ ব্যয় কৰি যুদ্ধৰ নিমিত্তে প্ৰস্তুত হৈছে। বাকী ধনতান্ত্ৰিক দেশবিলাকেও যুদ্ধৰ নিমিত্তে সাজু হৈ আছে। আগৰ সমৰ সঙ্কটৰ সময়ত ধনতান্ত্ৰিক দেশবিলাকৰ হাতত যি পৰিমাণে দ্ৰব্যসম্ভাৰ আছিল, এই নতুন সঙ্কটৰ সময়ত সেই বিলাক ৰাষ্ট্ৰত সেই পৰিমাণে নাথাকে। আন এটি কাৰণ এই যে আগৰ সঙ্কটৰ নিচিনা এইবাৰৰ সঙ্কট সাৰ্ব্বজনীন নহয়। কেৱল মাত্ৰ কেইখনমান অৰ্থনীতিক বলত বলীয়ান ৰাষ্ট্ৰই এই সঙ্কট দেখুৱাইছে।

ফেছিষ্ট দেশবিলাকৰ অৱস্থা— জাপান, জাৰ্ম্মাণ আৰু ইটালীৰ নিচিনা আক্ৰমণকাৰী দেশবিলাকৰ সামৰিক ভিত্তিত অৰ্থনীতিক অৱস্থা গঠন কৰি মজুত সোণৰ সাহায্যত অস্ত্ৰ-শস্ত্ৰ

নির্ম্মাণৰ কাৰখানা যি বিস্তাৰ কৰিছে, তাত বর্ত্তমান যদিও এই-বিলাক দেশত অতিৰিক্ত উৎপাদন সঙ্কট দেখা দিয়া নাই ; তথাপি এইবিলাক সঙ্কট যে একেবাৰে ওচৰতে আছে, তাত কোনো সন্দেহ নাই। ইয়াৰ ফল এই যে অর্থনৈতিক ফালৰপৰা শক্তিশালী ৰাষ্ট্র-বিলাকে যেতিয়া বর্ত্তমান সঙ্কটৰ হাতৰ পৰা ৰক্ষা পায় তেতিয়া আক্রমণকাৰী দেশবিলাকে এটি নিদাৰুণ সঙ্কটৰ সন্মুখত পৰিব। কাৰণ এই সময়ৰ ভিতৰত তেওঁলোকৰ সমুদায় মজুত থকা সোণ ব্যয় হব আৰু কেঁচা মালবিলাক শেষ হৈ যাব।

মজুত সোণৰ পৰিমাণ—ধনতান্ত্রিক ৰাষ্ট্রবিলাকৰ সোণৰ পৰিমাণ লক্ষ্য কৰিলে আচল ৰহস্য পৰিষ্কাৰ ভাৱে বুজা যাব।

১৯৩৬ সনত

		কোটি	লাখ
আমেৰিকা যুক্তৰাষ্ট্র	...	৬৬৪	৯০ ডলাৰ
বৃটেন	...	২০২	৯০ ,,
ফ্রান্স	...	১৭৬	৯০ ,,
হল্যাণ্ড	...	২৮	৯০ ,,
বেলজিয়াম	...	৩৭	৩০ ,,
চুইজাৰলেণ্ড	...	৩৮	৭০ ,,
জার্ম্মাণী	...	১	৬০ ,,
ইটালী	...	১২	৩০ ,,
জাপান	...	২৭	৩০ ,,

ওপৰোক্ত হিচাপমতে দেখা যায় যে, ধনতান্ত্রিক দেশবিলাকত ১৯৩৬ সনত মুঠ ১২ হাজাৰ ২শ ৯৮ কোটি ডলাৰ (একডলাৰ সমান প্রায় ২৸০) সোণ মজুত আছিল।

১৯৩৮ সনৰ চেপ্তেম্বৰ মাহলৈকে গোটেই পৃথিবীত চৈধ্য শ· ত্ৰিশ কোটি, দহলাখ ডলাৰ মূল্যৰ মজুত সোণ আছিল। তাৰ ভিতৰত—

		কোটি	লাখ
আমেৰিকা যুক্তৰাষ্ট্ৰ	...	৮১২	৬০ ডলাৰ
বৃটেন	...	২৩৯	৬০ ,,
ফ্ৰান্স	...	১৪৩	৫০ ,,
হলাণ্ড	...	৫৯	৫০ ,,
বেলজিয়াম	...	৩১	৮০ ,,
চুইজাৰলেণ্ড	...	৪০	৭০ ,,
জাৰ্ম্মাণী	...	১	৭০ ,,
ইটালী	...	১২	৪০ ,,
জাপান	...	২৯	৭০ ডলাৰ

মূল্যৰ সোণ মজুত আছে।

শ্ৰম শিল্পৰ হিছাপ:— ধনতান্ত্ৰিক ৰাষ্ট্ৰবিলাকত অৰ্থ-নীতিক সঙ্কটৰ নিমিত্তে এই পাঁচ বছৰৰ ভিতৰত শিল্পৰ কিমান অৱনতি হৈছে, তাক তলত দিয়া বিৱৰণৰ পৰা স্পষ্টকৈ বুজা যায়।

উৎপন্ন শিল্পৰ শতকৰা হিছাপে বৃদ্ধি

	১৯২৯—৩৪	১৯৩৫	১৯৩৬	১৯৩৭	১৯৩৮
আমেৰিকা যুক্তৰাষ্ট্ৰ	৬৬·৪	৭৫	৮৮·১	৯২·২	৭২
বৃটেন ...	৯৮·৮	১০৫·৮	১১৫·৯	১২৩·৭	১১২
ফ্ৰান্স ...	৭১	৬৭·৮	৭৯·৩	৮২·৮	৯০
ইটালী ...	৮০	৯৩·৮	৮৭·৫	৯৯·৬	৯৬
জাৰ্ম্মাণী ...	৭৯·৮	৯৪	১০৬·৩	১১৭·২	১২৫
জাপান ...	১২৮·৭	১৪৪·৮	১৫১·১	১৭০·৮	১৬৫
ছভিয়েট ৰুছিয়া ...	২৩৮·৩	২৯৩·৪	৩৮২·৩	৪২৪	৪৪৭

ওপৰোক্ত হিছাপৰ পৰা বুজা যায় যে পৃথিবীৰ ভিতৰত কেৱল ছভিয়েট যুক্তৰাষ্ট্ৰত শিল্পৰ বেছি উন্নতি হৈছে।

আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটেন আৰু ফ্ৰান্সত যি এটা প্ৰকাণ্ড ধৰণৰ সঙ্কটৰ সম্ভৱনা দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে তাক অকণমান লক্ষ্য কৰিলেই বুজা যায়। ওপৰোক্ত হিছাপৰ পৰা ইয়াকে বুজিব পাৰি যে ইটালী আৰু জাপানত শিল্পৰ অধোনতি আৰম্ভ হৈছে। জাৰ্ম্মাণী ইমান দিন সামৰিক ভেতিত অৰ্থনীতিক অৱস্থা গঠনৰ বিষয়ত জাপান আৰু ইটালীৰ পিছতে। তাত কিছু শিল্পৰ উন্নতি দেখা গৈছে। ভাগ্যক্ৰমে যদি কোনো ঘটনা নঘটে তেনেহলে এইটো নিঃসন্দেহে কব পাৰি যে ইটালী আৰু জাপানৰ নিচিনা জাৰ্ম্মাণীতো শিল্পৰ অধোনতি আৰম্ভ হব।

সামৰিক ভেতিত শিল্প গঠন:—সামৰিক ভেতিত দেশৰ অৰ্থনৈতিক ব্যৱস্থাৰ গঠনৰ অৰ্থ কি? ইয়াৰ অৰ্থ হৈছে—শিল্প প্ৰতিষ্ঠান বিলাকত কেৱল মাত্ৰ এনেবিলাক বস্তু প্ৰস্তুত কৰিবলৈ দিয়া হব, যাতে সামৰিক কাৰণত ব্যৱহাৰ কৰিব পাৰিব আৰু জন সাধাৰণৰ দৈনিক জীৱনত যিবিলাক বস্তুৰ প্ৰয়োজন হব পাৰে তাৰ উৎপাদন আৰু ব্যৱহাৰ কমাই দিয়াতো। ধন তান্ত্ৰিক ৰাষ্ট্ৰ-বিলাকত যি নতুন অৰ্থনীতিক ব্যৱহাৰ এইদৰে বিপৰ্য্যৰ ফালে আন আন ৰাষ্ট্ৰৰ লগত বিদেশী বজাৰত নিজ নিজ দেশৰ পণ্য বেচা আৰু কেঁচা মালৰ নিমিত্তে মনোমালিন্যৰ সূত্ৰপাত হৈছে।

ৰাষ্ট্ৰবিলাকৰ বিৰোধ:—জাপানী মাঞ্চুৰিয়া আৰু উত্তৰ চীন অধিকাৰ আৰু ইটালীৰ আবিছিনিয়া অধিকাৰ এইবিলাক ঘটনাৰ পৰা আন আন শক্তিৰ ভিতৰত সঙ্ঘৰ্ষৰ তীব্ৰতা উপলব্ধি কৰিব পাৰি। এই নতুন অৰ্থনীতিক সঙ্কটৰ ফলত সাম্ৰাজ্যবাদী সঙ্ঘৰ্ষৰ তীব্ৰতা নিশ্চয় আৰু বৃদ্ধি পাব। এতিয়া বিদেশী বজাৰত নিজৰ বস্তু বেচা প্ৰতিযোগিতাৰ সমস্যা নহয়। আচল সমস্যা হৈছে-সামৰিক বল প্ৰয়োগৰ দ্বাৰা পৃথিবীক আকৌ ভাগ বাটোৱাৰা কৰাৰ সমস্যা।

জাপানে এই বুলি তেওঁলোকৰ কাৰ্য্য সমৰ্থনৰ চেষ্টা কৰিছে যে ন শক্তি-চুক্তি সম্পাদন কৰা সময়ত জাপানক নায্য প্ৰাপ্তিৰ

পৰা বঞ্চিত কৰা হৈছে। চীনত সাম্রাজ্য বিস্তাৰ কৰিবলৈ বাধা দিয়া হৈছে। অথচ চীনত বৃটেন আৰু ফ্রাঞ্চৰ উপনিবেশ আছে।

ইটালী এই বুলি কৈ তেওঁলোকৰ কাৰ্য্য সমৰ্থন কৰিছে যে প্ৰথম সাম্রাজ্যবাদী যুদ্ধৰ পিছৰ পৰা ইটালীক তেওঁলোকৰ ন্যায্য অংশ দিয়া নাই। সেই নিমিত্তে বৃটেন আৰু ফ্রাঞ্চৰ কৰ্তৃত্বাধীন অঞ্চল-বিলাক অধিকাৰ কৰি তাৰ প্ৰতিশোধ লব।

প্ৰথম সাম্রাজ্যবাদী যুদ্ধ আৰু ভাৰ্চাই সন্ধিৰ ফলত জাৰ্ম্মাণী অধিক ক্ষতিগ্ৰস্থ হয়। জাৰ্ম্মানী, জাপান আৰু ইটালী মিলিত হৈ ইউৰোপত জাৰ্ম্মাণীৰ ৰাজ্য বিস্তাৰ দাবী কৰিবলৈ আৰু জাৰ্ম্মাণী অপহৃত উপনিবেশবিলাক ফিৰত পাবলৈ বিচাৰিছে।

এইদৰে তিনটা আক্ৰমণকাৰী ৰাষ্ট্ৰই মাৰ বান্ধি যুদ্ধৰ দ্বাৰা আকৌ পৃথিবীক নতুনকৈ বিভাগ কৰাৰ প্ৰশ্ন উঠাইছে।

যুদ্ধ আৰম্ভ:— আলোচ্য কালত যি প্ৰধান ঘটনাবিলাকৰ পৰা এক নতুন সাম্রাজ্যবাদী যুদ্ধৰ সূত্ৰপাত হল, তাৰ বিবৃতি এই:—

১৯৩৫ সনত ইটালীয়ে আবিছিনিয়া আক্ৰমণ আৰু দখল কৰে। ১৯৩৬ সনত জাৰ্ম্মাণী, ইটালী আৰু স্পেনে সামৰিক হস্তক্ষেপৰ ব্যৱস্থা কৰে। জাৰ্ম্মাণী নিজৰ আধিপত্য বিস্তাৰ কৰে—উত্তৰ স্পেনত আৰু স্পেনীয় মৰক্কোট। ইটালী নিজৰ আধিপত্য বিস্তাৰ কৰে—দক্ষিণ স্পেনত আৰু বালেয়াৰিক দ্বীপ পুঞ্জত।

মাঞ্চুৰিয়া অধিকাৰৰ পিছত ১৯৩৭ সনত জাপানে উত্তৰ আৰু মধ্য চীন আক্ৰমণ কৰি পিকিং তিয়েনৎসিন আৰু সাংহাই দখল কৰি অধিকাৰ কৰা ঠাই বিলাকৰ পৰা বিদেশী প্ৰতিযোগীবিলাকক বাহিৰ কৰি দিবলৈ আৰম্ভ কৰে।

১৯৩৮ সনৰ আৰম্ভণীতে জাৰ্ম্মাণী অষ্ট্ৰীয়া দখল কৰে। ১৯৩৮ সনৰ শৰৎকালত দখল কৰে—চেকোশ্লোভাকীয়াৰ ছুডেটেন ভূমি। এই সনৰে শেষ ভাগত জাপানে দখল কৰে—কেণ্টন আৰু ১৯৩৯ সনৰ আৰম্ভণীতে দখল কৰে—হাইনাম দ্বীপ।

এই দৰে যুদ্ধ আৰম্ভ হৈছে। পঞ্চাশ কোটিৰ ওপৰ লোকে এই নৰমেধ বেহুৰ ভিতৰত প্ৰৱেশ কৰিছে।

বিশ্বশান্তি ৰক্ষাত ছভিয়েট যুক্তৰাষ্ট্ৰৰ চেষ্টা, সমাজতান্ত্ৰিক পদ্ধতিত কৃষি আৰু শিল্পৰ উন্নতি :— নতুন যুদ্ধৰ ফলত আন আন দেশৰ সম্পৰ্কৰ ভিতৰত এক নতুন অৱস্থাৰ সৃষ্টি হৈছে। মহাযুদ্ধৰ পিছৰ শান্তি ব্যৱস্থা ক্ষুণ্ণ কৰি আৰু আন্তৰ্জ্জাতিক আইনৰ প্ৰাথমিক নীতিবিলাক লঙ্ঘন কৰি এই যুদ্ধ বৰ্ত্তমান আন্তৰ্জ্জাতিক সন্ধি আৰু বাধ্য-বাধকতাৰ মূল্য সম্বন্ধে সন্দেহৰ সৃষ্টি হৈছে।

"শান্তি–বাদ" আৰু নিৰস্ত্ৰীকৰণ পৰিকল্পনা কথৰত পৰিণত হৈছে। প্ৰত্যেকে অস্ত্ৰৰ সংখ্যা বৃদ্ধি কৰিবলৈ ধৰিছে।

মিউনিকত আক্ৰমণকাৰী বিলাকক সুবিধা দানৰ ফলত আৰু মিউনিক চুক্তিৰ ফলত "শান্তি আৰু সন্তোষ"ৰ এটি নতুন যুগ প্ৰবৰ্ত্তন হৈছিল বুলি যিবিলাক মিছা বক্তৃতা শুনা হৈছিল, সেই বক্তৃতাত কাৰো বিশ্বাস নাই। আনকি মিউনিক চুক্তিত স্বাক্ষৰ-কাৰী বৃটেন আৰু ফ্ৰাঞ্চেও এইবিলাক বক্তৃতাক বিশ্বাস নকৰি অস্ত্ৰ বৃদ্ধি কৰিবলৈ আৰম্ভ কৰিছে।

ছভিয়েট ৰুছিয়াই এইবিলাক গুৰুত্বপূৰ্ণ ঘটনা উপেক্ষা কৰিব নোৱাৰে। পৃথিবীৰ যি কোনো ঠাইত যিমানে ক্ষুদ্ৰ যুদ্ধ নহওক, তাত শান্তি প্ৰিয় দেশবিলাকৰ পক্ষে বিপদ স্বৰূপ। নতুন সাম্ৰাজ্য-বাদী যুদ্ধৰ বিপদ আৰু গুৰুত্ব। ইয়াৰ ভিতৰত এই যুদ্ধত এচিয়া, আফ্ৰিকা আৰু ইউৰোপৰ পঞ্চাশ কোটি লোকক জড়িত কৰিছে।

আমাৰ দেশ ৰুছিয়াই এপিনে যেনেকৈ অবিচলিত ভাৱে শান্তি ৰক্ষাৰ নীতি অনুসৰণ কৰিছে, আন পিনে তেনেকৈ "ৰঙা ফৌজ" আৰু "ৰঙা নৌবহৰ" সদায় প্ৰস্তুত সমৰ শক্তি বিপুল ভাৱে বৰ্দ্ধিত কৰিবলৈ চেষ্টা কৰিছে।

ইয়াৰ লগতে ছভিয়েট যুক্ত ৰাষ্ট্ৰই আন্তৰ্জ্জাতিক স্থিতি দৃঢ় আৰু

PLEASE HANDLE THE BOOK CAREFULLY

আন কেইটামান ব্যৱস্থাও অৱলম্বন কৰিবলৈ মন কৰিছে।

ৰাষ্ট্ৰ-সঙ্ঘত যোগদানৰ উদ্দেশ্য ঃ—১৯৩৪ সনৰ শেষত ৰুছিয়াই ৰাষ্ট্ৰসঙ্ঘত যোগদান কৰে। আমি ভাবিছিলো যে ৰাষ্ট্ৰসঙ্ঘ যিমানে দুৰ্ব্বল নহওক, তাৰ দ্বাৰা দুটি উদ্দেশ্য সিদ্ধ হব পাৰে। প্ৰথম—আক্ৰমণকাৰী বিলাকৰ স্বৰূপ উদ্ঘাটনৰ কামত ৰাষ্ট্ৰসঙ্ঘক ব্যৱহাৰ কৰিব পাৰিব। দ্বিতীয়তে মহাযুদ্ধ নিবাৰণৰ কামত ৰাষ্ট্ৰসঙ্ঘক খুব দুৰ্ব্বল হলেও শান্তিৰ এটা অস্ত্ৰ হিচাপে প্ৰয়োগ কৰিব পাৰে।

ছভিয়েট যুক্তৰাষ্ট্ৰই ভাবে যে এই সঙ্কটপূৰ্ণ সময়ত ৰাষ্ট্ৰসঙ্ঘৰ নিচিনা দুৰ্ব্বল প্ৰতিষ্ঠান এটাক অৱজ্ঞা কৰা উচিত নহয়।

১৯৩৫ চনৰ মেই মাহত ফ্ৰান্স আৰু ছভিয়েট যুক্তৰাষ্ট্ৰই আক্ৰমনকাৰী সকলৰ ভৱিষ্যত অভিযানৰ বিৰুদ্ধে এটি পৰস্পৰ সাহাৰ্য্য চুক্তিৰ ব্যৱস্থা কৰে। লগে লগে এই চুক্তি চেকোশ্লোভাকীয়াৰ লগতো কৰা হৈছিল।

১৯৩৮ সনৰ মাৰ্চ্চ মাহত ছভিয়েট যুক্তৰাষ্ট্ৰ মঙ্গোলীয়া গণতন্ত্ৰৰ লগত এটি পৰাস্পৰে সাহায্য চুক্তিৰ ব্যৱস্থা কৰে।

এই কঠিন আন্তৰ্জ্জাতিক অৱস্থাত ছভিয়েট যুক্তৰাষ্ট্ৰই বিশিষ্ট বৈদেশিক নীতি অনুসৰণ কৰি চলিছে আৰু শান্তি ৰক্ষাৰ আদৰ্শক অটুভ ৰাখিছে।

পৰৰাষ্ট্ৰ নীতি :— ছভিয়েট যুক্তৰাষ্ট্ৰৰ পৰৰাষ্ট্ৰ নীতি স্পষ্ট আৰু সহজ ধৰণৰ।

১। আমালোকে শান্তি কামনা কৰো আৰু সকলো দেশৰ লগত ব্যৱসায়—বাণিজ্য সম্পৰ্ক দৃঢ় কৰিবলৈ খোজো। যিমান দিন আন বিলাক দেশে ছভিয়েট ৰুছিয়াৰ লগত এইদৰে সম্পৰ্ক ৰক্ষা কৰিব আৰু যিমান দিন সেই বিলাক দেশে আমাৰ স্বাৰ্থ লঙ্ঘন কৰিবলৈ চেষ্টা নকৰিব, সিমান দিন আমি এই নীতি অনুসৰণ কৰিম।

২। যিবিলাক দেশৰ ৰাজ্যৰ সীমা ছভিয়েট ৰুছিয়াৰ সীমান্ত সংলগ্ন তেওঁলোকৰ লগত আমাৰ বন্ধুত্ব ঘনিষ্ঠ আৰু শান্তিপূৰ্ণ সম্পৰ্ক

ৰাখিম। যিমান দিন এই বিলাক দেশে ছুভিয়েট ৰুছিয়াৰ লগত এইদৰে সম্বন্ধ ৰক্ষা কৰিব আৰু যিমান দিন তেওঁলোকে বা আনৰ দ্বাৰা এই সীমাৰেখা ভেদ কৰিবলৈ চেষ্টা নকৰিব সিমান দিনলৈকে এই নীতি অনুসৰণ কৰিম।

৩। যিবিলাক দেশৰ শত্ৰুৰ দ্বাৰা আক্ৰান্ত আৰু যি সকলে দেশৰ স্বাধীনতাৰ নিমিত্তে যুদ্ধ কৰিছে, আমালোকে তেওঁলোকক সাহায্যদান দিয়াৰ অনুকূলে।

৪। ছুভিয়েট ৰুছিয়াই আক্ৰমণকাৰী সকলৰ ধমকিত ভয় নকৰে। যিবিলাক যুদ্ধকামী দেশে ছুভিয়েট ৰুছিয়াৰ সীমাত ভৰি দিবহি, আমি তেওঁলোকক এক ঘোচাৰ সলনি দুঘোচা বহুৱাম।

এয়ে হল—ছুভিয়েট যুক্তৰাষ্ট্ৰৰ পৰৰাষ্ট্ৰ নীতি।

ছুভিয়েট যুক্তৰাষ্ট্ৰই অনুসৰণত তলত দিয়া কথাবিলাকৰ ওপৰত নিৰ্ভৰ কৰে।

(ক) বৰ্ত্তমান অৰ্থনৈতিক, ৰাজনৈতিক আৰু সংস্কৃতি শক্তি।

(খ) ছুভিয়েট ৰুছিয়াৰ সমাজনীতি আৰু ৰাজনৈতিক ঐক্য।

(গ) দেশৰ ভিন ভিন জাতিৰ ভিতৰত মিলা-প্ৰীতি।

(ঘ) ৰঙা ফৌজ আৰু ৰঙা নৌবহৰ।

(ঙ) শান্তি নীতি।

(চ) গোটেই দেশৰ শ্ৰমজীৱী জনসাধাৰণৰ—যিবিলাকৰ স্বাৰ্থৰ পক্ষে শান্তিৰক্ষা অতি আৱশ্যক—নৈতিক সমৰ্থন।

(ছ) যিবিলাক দেশে কোনো কাৰণত শান্তিভঙ্গ কৰিবলৈ অনিচ্ছুক তেওঁলোকৰ সহজ কাণ্ডজ্ঞান।

পৰৰাষ্ট্ৰ নীতিৰ ক্ষেত্ৰত কমিউনিষ্ট পাৰ্টিৰ কাম হৈছে:—

১। ভৱিষ্যত শান্তিনীতি অনুকৰণ কৰা আৰু গোটেই দেশৰ লগত ব্যৱসায় সম্পৰ্ক দৃঢ় কৰা।

২। যুদ্ধকামী বিলাকে যাতে দেশক যুদ্ধক্ষেত্ৰৰ ফালে ঠেলি দিব নোৱাৰে তাৰ নিমিত্তে সদায় সাৱধান হৈ থকা। এনেকুৱা

ভদ্ৰলোক সকলৰ কাম হৈছে আনৰ মুৰত কঠাল ভাঙি খোৱা।

৩। ৰঙা ফৌজ আৰু ৰঙা নৌবহৰ শক্তি চৰম সীমালৈকে বৃদ্ধি কৰা।

৪। শান্তি আৰু আন্তৰ্জ্জাতিক মিত্ৰসম্বন্ধত আগ্ৰহ হোৱাৰ বাহিৰেও পৃথিবীৰ শ্ৰমজীৱী জনসাধাৰণৰ লগত প্ৰীতি বন্ধন দৃঢ় কৰা।

অভ্যন্তৰীণ অৱস্থাঃ— অৰ্থনীতিক আৰু শিক্ষা সংস্কৃতিৰ ক্ষেত্ৰত যোৱা পাঁচ বছৰত ছভিয়েট যুক্তৰাষ্ট্ৰৰ যথেষ্ট উন্নতি হৈছে। দেশত ৰাজনীতিক শক্তিও প্ৰবলভাৱে বৃদ্ধি পাইছে।

অৰ্থনীতিক ক্ষেত্ৰত প্ৰধান উল্লেখ যোগ্য বিষয় হৈছে—কৃষি আৰু শিল্প ব্যৱহাৰ পূৰ্ণগঠন। যোৱা পাঁচ বছৰত আধুনিক নতুন যন্ত্ৰপাতিৰ সাহায্যত ছভিয়েট যুক্তৰাষ্ট্ৰৰ কৃষি আৰু শিল্পৰ পূৰ্ণগঠন। যোৱা পাঁচ বছৰত আধুনিক নতুন যন্ত্ৰপাতিৰ সাহাযাত ছভিয়েট যুক্ত ৰাষ্ট্ৰৰ কৃষি আৰু শিল্পৰ পূৰ্ণগঠন কৰা হৈছে। বৰ্ত্তমান কোনো পুৰণি যন্ত্ৰপাতি নাই। আগৰ পুৰণিকলীয়া যন্ত্ৰপাতিৰ (কাঠৰ নাঙল ফাল আদি) সাহায্যত জমি চহ কৰা খেতিয়ক দেখিবলৈ বৰ্ত্তমান ৰুছিয়াত নাই।

উৎপাদন প্ৰণালী, কৃষি আৰু শিল্পৰ উন্নতিৰ ফালৰ পৰা ছভিয়েট যুক্তৰাষ্ট্ৰ পৃথিবীৰ আন যি কোনো দেশতকৈ বহুত দূৰ আগ বাঢ়ি গৈছে।

সামাজিক আৰু ৰাজনীতিক ক্ষেত্ৰতো বহুত আগ বাঢ়িছে। যোৱা পাঁচ বছৰত শোষক শ্ৰেণীৰ অৱশিষ্ট অংশ লুপ্ত হৈছে। খেতিয়ক, বনুৱা আৰু বুদ্ধিজীৱী সকলো আজি শ্ৰমশীল জনসাধাৰণত পৰিণত হৈছে। ছভিয়েট সমাজৰ নৈতিক আৰু ৰাজনৈতিক ঐক্য দৃঢ় হৈছে। ভিন ভিন জাতিৰ ভিতৰত বন্ধুত্ব স্থাপিত হৈছে। ইয়াৰ ফলত দেশৰ ৰাজনীতিক জীৱনত পূৰ্ণগণতন্ত্ৰ প্ৰতিষ্ঠা হৈছে। ইয়াৰ পৰিণতি ঘটিছে—জগতৰ শ্ৰেষ্ঠ গণতান্ত্ৰিক শাসনতন্ত্ৰ প্ৰবৰ্ত্তনত।

দেশৰ অভ্যন্তৰীণ বিষয়ত সকলো গোলমালৰ অৱসান হৈছে। এতিয়া ৰুছিয়াত এনে এটি স্থায়ী গৱৰ্ণমেণ্ট (চৰ্কাৰ) প্ৰতিষ্ঠিত হৈছে যে পৃথিবীৰ কোনো দেশে ৰুছিয়াক হিংসা কৰিব নোৱাৰে।

শিল্প :—ছভিয়েট যুক্তৰাষ্ট্ৰৰ শিল্পোন্নতি কেৱল দেশৰ উৎপাদন শক্তি বৃদ্ধিৰ দ্বাৰাই প্ৰমাণ নহয়। এপিনে সমাজতান্ত্ৰিক ভেতিত সংগঠিত শিল্প সমূহৰ অভূতপূৰ্ব্ব উন্নতি আৰু প্ৰচাৰ লাভ। আন পিনে ব্যক্তিগত শিল্প সমূহৰ বিলোপ। ইয়াৰ দ্বাৰাও ছভিয়েট যুক্তৰাষ্ট্ৰত শিল্পৰ প্ৰচুৰ উন্নতি হোৱাৰ প্ৰমাণ স্বৰূপ। দেশৰ মুঠ শিল্পজাত পণ্যৰ শতকৰা ৯৯.৯৭ ভাগ উৎপন্ন হৈছে—সমাজতান্ত্ৰিক ভিত্তিত গঠিত শিল্পৰ পৰা আৰু মাত্ৰ শতকৰা ০০.০৩ ভাগ উৎপন্ন হৈছে—ব্যক্তিগত শিল্পৰ পৰা।

ব্যক্তিগত শিল্পৰ বিলোপ এটা আকস্মিক ঘটনা নহয়। ব্যক্তিগত শিল্প বিলোপ হোৱাৰ কাৰণ দুটা। প্ৰথম সমাজ তান্ত্ৰিক আৰ্থিক অৱস্থা, ধনতান্ত্ৰিক আৰ্থিক অৱস্থাতকৈ শ্ৰেষ্ঠ। দ্বিতীয়তে সমাজ তান্ত্ৰিক আৰ্থিক অৱস্থাত গোটেই শিল্পত নতুন আৰু আধুনিক যন্ত্ৰপাতি প্ৰবৰ্ত্তন অসম্ভৱ হৈছে। উৎপাদন প্ৰণালী আৰু শিল্পৰ উন্নতিৰ ফালৰপৰা ছভিয়েট যুক্তৰাষ্ট্ৰই জগতত শীৰ্ষস্থান অধিকাৰ কৰিছে। ইয়াৰ বাহিৰেও ছভিয়েট যুক্তৰাষ্ট্ৰত যি হাৰে শিল্পৰ উন্নতি হবলৈ ধৰিছে, তাৰ দ্বাৰা প্ৰধান প্ৰধান ধনতান্ত্ৰিক ৰাষ্ট্ৰবিলাকক পিছ পেলাই দিছে। যোৱা মহাযুদ্ধৰ সময়ৰ আগেয়ে ছভিয়েট ৰুছিয়াত যি পৰিমাণে পণ্য উৎপাদন হৈছিল, বৰ্ত্তমান তাৰ ন গুণ বৃদ্ধি পাইছে। অথচ ধনতান্ত্ৰিক ৰাষ্ট্ৰবিলাকৰ উৎপাদন এই তুলনাত মাত্ৰ শতকৰা ২০ বা ৩০ ভাগ বৃদ্ধি পাইছে।

অৰ্থনীতিক অৱস্থা :—আন আন দেশৰ তুলনাত ছভিয়েট ৰুছিয়াৰ কি কি বিষয়ত পিছ পৰি আছে! অৰ্থনীতিক ফালৰ পৰা অৰ্থাৎ ৰুছিয়াৰ গাইমূৰি যি পৰিমাণে শিল্পজাত পণ্য উৎপাদন হয়, সেইফালৰ পৰা আন দেশতকৈ পিছ পৰা।

দেশৰ লোক সংখ্যা বাদ দি উৎপন্ন শিল্পজাত পণ্যৰ মুঠ পৰিমাণৰ দ্বাৰা কোনো দেশৰ অৰ্থনীতিক ব্যৱস্থাৰ মূল্য বিচাৰ কৰা নাযায়। সেইটো নিৰ্ভৰ কৰে দেশৰ গাইমূৰি যি পৰিমাণ শিল্পজাত পণ্য

ব্যৱহাৰ কৰা হয়, তাৰ তুলনাত দেশত কি পৰিমাণে পণ্য উৎপন্ন হয়।

উৎপাদন প্ৰণালী আৰু শিল্পৰ উন্নতিৰ ফালৰ পৰা ছভিয়েট ৰুছিয়াই আন আন দেশক পিছ পেলাই দিছে। অৰ্থনীতিক ফালৰ পৰাও ৰুছিয়াই আন আন দেশক পিছ পেলাব লাগিব। ৰুছিয়াই যদি ধনতান্ত্ৰিক ৰাষ্ট্ৰবিলাকক অৰ্থনীতিৰ বিষয়ত পিছ পেলাব পাৰে, তেনেহলে এইটো আশা কৰা অন্যায় নহয় যে দেশৰ জনসাধাৰণৰ ব্যৱহাৰৰ নিমিত্তে যি পৰিমাণে দ্ৰব্যৰ প্ৰয়োজন তাৰ নিমিত্তে অভাৱ নহব আৰু ৰুছিয়াই সাম্যবাদৰ প্ৰথম স্তৰৰপৰা দ্বিতীয় স্তৰলৈকে সহজে আগ বাঢ়িব পাৰিব।

শিল্পৰ দৰে কৃষিতো যোৱা পাঁচ বছৰত বহুত উন্নতি হৈছে। এপিনে যি দৰে সমাজতান্ত্ৰিক পদ্ধতিত কৃষিৰ যথেষ্ট উন্নতি হৈছে, আন পিনে তেনেকৈ ব্যক্তিগত কৃষি ক্ৰমান্বয়ে লোপ পাইছে। এক কোটি আঠাশী লাখ ঘৰ খেতিয়ক অৰ্থাৎ খেতিয়ক সকলৰ শতকৰা ৯৩.৫ জনে যুটীয়া চহ কৰে। ইয়াৰ ভিতৰত কুটীৰ শিল্প ধৰা নাই।

ইয়াৰ পৰা দেখা গৈছে যে যৌথ খেতিৰ প্ৰচুৰ উন্নতি হৈছে আৰু ছভিয়েট ৰুছিয়াত বৰ্ত্তমান কেৱল মাত্ৰ সমাজতান্ত্ৰিক পদ্ধতিত চহ কৰা হৈছে। ছভিয়েট ৰুছিয়াই পৃথিবীৰ আন যি কোনো দেশতকৈ বিক্ৰীৰ নিমিত্তে অতিৰিক্ত পণ্য বেছি পৰিমাণে উৎপাদন কৰে।

অভ্যন্তৰীণ বাণিজ্য :— কৃষি আৰু শিল্পৰ উন্নতিৰ লগে লগে অভ্যন্তৰীণ বাণিজ্যৰ যথেষ্ট উন্নতি হৈছে। অভ্যন্তৰীণ বাণিজ্য আগতকৈ শতকৰা ১৭৮ ভাগ বৃদ্ধি পাইছে। যৌথ চহৰ দ্বাৰা উৎপন্ন শস্যৰ খুচুৰা বিক্ৰীও শতকৰা ১১২ ভাগ বৃদ্ধি হৈছে। কৃষি, শিল্প আৰু ব্যৱসায়-বাণিজ্যৰ উন্নতিৰ লগে লগে জনসাধাৰণৰ জীৱনযাত্ৰা প্ৰণালীও উন্নত হবলৈ বাধ্য।

দেশৰ অভ্যন্তৰীণ ভাগৰ পৰা আগৰ গৃহত্যাগ কৰা খেতিয়ক বিলাকৰ নিমিত্তে বৰ্ত্তমান কাম বিচাৰি ফুৰিবৰ দৰ্কাৰ নোহোৱা

হৈছে। তেওঁলোকে এতিয়া অনাহাৰে দিন কটাবলগীয়া হোৱা নাই।

কৃষি:— যৌথ খেতিৰ আৰ্থিক অৱস্থাৰ যথেষ্ট উন্নতি হৈছে। খেতিয়ক সকলে স্মৰণ ৰখা উচিত হব যে তেওঁলোকৰ সাহায্য নহলে শিল্পৰ প্ৰচাৰ সাধন হোৱা সম্ভৱ নহয়। শিল্পৰ প্ৰচাৰ নহলে শিল্পজাত পণ্যৰ নিমিত্তে খেতিয়ক সকলৰ ক্ৰমোন্নতি হোৱা অসম্ভৱ।

যিবিলাক আধুনিক যন্ত্ৰপাতিৰ দ্বাৰা খেতিৰ কাম আৰম্ভ কৰা হয় তাৰ পৰা যদি কিছুমান খেতিয়কক ৰেহাই দিয়া যায়, তেনেহলে দেশৰ জাতীয় অৰ্থনীতিক অৱস্থাৰ প্ৰচুৰ উন্নতি হব।

বনুৱা, খেতিয়ক আৰু বুদ্ধিজীৱীৰ উন্নতি:— ১৯৩৩ সনত ছভিয়েট যুক্তৰাষ্ট্ৰৰ জাতীয় আয় আছিল ৪ হাজাৰ ৮ শ ৫০ কোটি ৰুবল (এক ৰুবলত দেড় টকা) ১৯৩৮ সনত এই আয় বৃদ্ধি হৈ ১০ হাজাৰ ৫ শ কোটি ৰুবল হৈছে। ১৯৩৩ সনত বনুৱা আৰু কৰ্ম্মচাৰীৰ সংখ্যা আছিল—২ কোটি ২০ লাখ। ১৯৩৮ সনত বৃদ্ধি হৈ ২ কোটি ৮০ লাখ হৈছে। বনুৱা আৰু কৰ্ম্মচাৰীৰ বছৰেকীয়া দৰমহা ৩ হাজাৰ ৪ শ ৫৯ কোটি ৩০ লাখ ৰুবলৰ পৰা ৯ হাজাৰ ৬ শ ৪২ কোটি ৫০ লাখ ৰুবললৈকে বৃদ্ধি হৈছে।

১৯৩৩ সনত শিল্প-কাৰখানাৰ বনুৱা বিলাকৰ গড়ে বছৰি মজুৰী ১ হাজাৰ ৫ শ ১৩ ৰুবল আছিল। ১৯৩৮ সনত ৩ হাজাৰ ৪ শ ৩৭ ৰুবললৈকে বৃদ্ধি হৈছে। ১৯৩৩ সনত যুটীয়া বা যৌথ খেতিৰ নগদ আয় ৫ হাজাৰ ৬ শ ৬১ কোটি ৯০ লাখ ৰুবল আছিল। ১৯৩৮ সনত ১৪ হাজাৰ ১ শ ৮০ কোটি ১০ লাখ ৰুবল লৈকে বৃদ্ধি হৈছে।

সংস্কৃতিগত উন্নতি:— সংস্কৃতিগত উন্নতি যোৱা পাঁচ বছৰত বিদ্ৰোহৰ যুগ বুলিব পাৰি। এই সময়ৰ ভিতৰত ছভিয়েট যুক্তৰাষ্ট্ৰত জাতীয় ভাষাকে শিক্ষাৰ বাহন কৰি বাধ্যতামূলক প্ৰাথমিক

শিক্ষা প্ৰৱৰ্ত্তন কৰা হৈছে। স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অধিক পৰিমাণে বাঢ়িছে। কলেজত শিক্ষা পোৱা বিশেষজ্ঞ সকলৰ সংখ্যা বৃদ্ধি হৈছে। এটি নতুন বুদ্ধিজীৱীৰ শ্ৰেণী স্থাপিত কৰা হৈছে।

ৰুছিয়া দেশৰ সংস্কৃতিগত বিদ্ৰোহৰ এটি বিশেষ উল্লেখ যোগ্য ফল হৈছে—এটি নতুন সমাজতন্ত্ৰী বুদ্ধিজীৱী শ্ৰেণীৰ আৱিৰ্ভাৱ। জনসাধাৰণৰ মাজৰ পৰা এওঁলোকৰ অভ্যুত্থান হৈছে।

ধনতান্ত্ৰিক সমাজৰ তুলনাত আধুনিক ছভিয়েট সমাজৰ প্ৰধান বৈশিষ্ট্য হৈছে, এই যে বৰ্ত্তমান ছভিয়েট সমাজত পৰাস্পৰ বিৰোধি শ্ৰেণী নাই আৰু শোষক শ্ৰেণীও সম্পূৰ্ণৰূপে নিৰ্ম্মূল হৈছে। খেতি-য়ক বনুৱা আৰু বুদ্ধিজীৱী সকলোৱে এই সমাজত পৰস্পৰে সহযোগিতাৰে কাম-কাজ কৰি আছে।

ইয়াকে ভেটি কৰি ছভিয়েট সমাজত নৈতিক আৰু ৰাজনৈতিক ঐক্য গঢ়ি উঠিছে। ছভিয়েট যুক্তৰাষ্ট্ৰত আন আন জাতিৰ ভিতৰত বন্ধুত্ব বন্ধন দৃঢ় হৈছে আৰু দেশ-আত্মবোধ বৃদ্ধি পাইছে।

১৯৩৬ সনৰ নবেম্বৰ মাহত ছভিয়েট যুক্তৰাষ্ট্ৰৰ নতুন শাসনতন্ত্ৰ প্ৰবৰ্ত্তন কৰা হৈছে। সৰ্ব্বোচ্চ প্ৰতিষ্ঠান বিলাকত নিৰ্ব্বাচনৰ দ্বাৰা পূৰ্ণ গণতন্ত্ৰ প্ৰতিষ্ঠা হৈছে। ৰঙা ফৌজ সমুখত ৰাখি ছভিয়েটৰ অভ্যন্তৰীণ ঐক্য খণ্ডন হব নোৱাৰাকৈ পৃথিবীৰ যি কোনো দেশৰ সৈনিক বাহিনী অপেক্ষা অধিক শক্তি শালী। যিবিলাক যুদ্ধত লিপ্ত সেইবিলাকে এই কথা মনত ৰখা উচিত।

মিছা প্ৰচাৰ:—কিছুমান বাতৰি কাকতে ৰুছিয়াৰ বিৰুদ্ধে মিছাপ্ৰচাৰ কাৰ্য্য চলাইছে। ট্ৰটস্কি, জিনোভিয়েভ, ইয়াকিৰ, তুখা-চেভেস্কি, ৰোছেণগোলজ, বুখাৰিণ আদিৰ নিচিনা চোৰাং-চোৱা আততায়ী ধ্বংসকাৰী বিলাকক খেদি দিয়াৰ নিমিত্তে ছভিয়েট যুক্ত-ৰাষ্ট্ৰ দুৰ্ব্বল হৈ পৰিছে আৰু তেওঁ লোকৰ নৈতিক অধঃপতন হৈছে।

তেওঁলোকৰ অৰ্থাৎ বাতৰি কাকতবিলাকৰ সম্পাদক সকলৰ দুৰ্বুদ্ধি দেখি হাঁহি উঠে। তেওঁলোকে মনত ৰখা উচিত যে এই

বিলাক চোৰাংচোৱা, আততায়ী আৰু ধ্বংসকাৰীক খেদি দিয়াৰ ফলস্বৰূপে আমালোকৰ সংগঠন দৃঢ় হৈছে।

কমিউনিষ্ট পাৰ্টিৰ কৰ্ত্তব্য:— ছভিয়েট যুক্তৰাষ্ট্ৰৰ কমিউনিষ্ট পাৰ্টিৰ কৰ্ত্তব্য হব এই:—

১। শিল্পৰ উন্নতিপথ ধৰি চলা। শ্ৰম উৎপাদন শক্তি বৃদ্ধি কৰিব লাগিব। উৎপাদন ব্যৱস্থাৰ যান্ত্ৰিক ফালটো নিখুঁত কৰিব, যাতে ছভিয়েট যুক্তৰাষ্ট্ৰৰ উৎপাদন পদ্ধতিত আৰু উন্নতিৰ হাৰত ডাঙৰ ডাঙৰ ধনতান্ত্ৰিক ৰাষ্ট্ৰৰ সমানে উঠি দহ বছৰ পৰা পোন্ধৰ বছৰ ভিতৰত অৰ্থনৈতিক ফালৰ পৰাও সেই বিলাক ৰাষ্ট্ৰক চেৰ পেলাব পাৰে।

২। কৃষিৰ উন্নতি আৰু ঘৰচীয়া পশুৰ সংখ্যা বৃদ্ধিৰ নিমিত্তে বৰ্ত্তমান পন্থা অনুসৰণ কৰা। এই দৰে চলি তিনি বছৰৰ ভিতৰত ৮০০ কোটি পুড (এক পুডত ওঠৰ সেৰ) শস্য উৎপাদন কৰিব লাগিব। অৰ্থাৎ গড়ে প্ৰতি হেক্টাৰত (এক হেক্টাৰত প্ৰায় ৭॥ বিঘা) ১২ৰ পৰা ১৩ চেণ্টলাৰ (এক চেণ্টলাৰত প্ৰায় এক হুন্দৰ) শস্য উৎপাদন কৰিব। কেঁচা মালৰ পৰিমাণ গড়ে শতকৰা ৩০ৰ পৰা ৩৫ ভাগ বৃদ্ধি কৰা হব। ছাগলি আৰু গাহৰিৰ সংখ্যা দুগুণ; ঘৰচীয়া পশুৰ সংখ্যা শতকৰা ৪০ টা আৰু ঘোৰাৰ সংখ্যা শতকৰা ৩৫ টা বৃদ্ধি কৰিব লাগিব।

৩। বনুৱা, খেতিয়ক আৰু বুদ্ধিজীবীৰ জীৱন যাত্ৰা আৰু সংস্কৃতিৰ মান বৃদ্ধি কৰা

৪। সমাজতান্ত্ৰিক শাসনতন্ত্ৰ অবিচলিত ভাৱে পালন কৰি দেশৰ ৰাজনৈতিক জীৱন পূৰ্ণভাৱে গণতান্ত্ৰিক হব লাগিব। ছভিয়েট সমাজৰ নৈতিক আৰু ৰাজনৈতিক ঐক্য দৃঢ় কৰি আন আন জাতিৰ লগত ঘনিষ্টতা আৰু বন্ধুতা স্থাপন কৰি ছভিয়েটৰ দেশাত্মবোধ পৈণত কৰিব লাগিব।

৫। মনত ৰাখিব লাগিব যে বৈদেশিক ধন-তান্ত্ৰিক দেশবিলাকে

চোৰাং-চোৱা, খুনী আৰু ধ্বংসকাৰীবিলাকক ছভিয়েট যুক্তৰাষ্ট্ৰত প্ৰবেশ কৰাবলৈ চেষ্টা কৰি থাকিব; এই কথা মনত ৰাখি ছছিয়েলিষ্ট (সমাজ তান্ত্ৰিক) সৈনিকবিভাগৰ শক্তিবৃদ্ধি কৰি দেশৰ শত্ৰুক বিনাশ কৰিব লাগিব।

শোষক শ্ৰেণীবিলাক লুপ্ত হোৱা নাই। সমাজতান্ত্ৰিক ৰাষ্ট্ৰ বৰ্ত্তমান উঠি যাব। এই কথা বিলাক যেয়ে কয়, তেওঁলোকে ভুল বুজে। এই ধৰণৰ মতবাদী সকলে আন্তৰ্জ্জাতিক পৰিস্থিতিক লঘু ভাৱে দেখে। তেওঁলোকে পাহৰি গৈ ভাবিছে যে ধন তান্ত্ৰিক জগতে আজি ছভিয়েট যুক্তৰাষ্ট্ৰক বেঢ়ি ধৰি ৰাখিছে। ধনতান্ত্ৰিক ৰাষ্ট্ৰ বিলাকে চোৰাং-চোৱা, খুনী আৰু ধ্বংসকাৰী বিলাক পঠাই থাকে আৰু ছভিয়েট যুক্তৰাষ্ট্ৰক সামৰিক আক্ৰমণৰ দ্বাৰা সুযোগ লবলৈ অপেক্ষা কৰি আছে। এইটো হৈছে তেওঁলোকৰ আকাশত চাং পতা কথা—বাওনাই স্বৰ্গ চুকি পাবলৈ কৰা আকাঙ্ক্ষা।

অৱশেষত বক্তৃতা প্ৰসঙ্গত ষ্টেলিনে কয় যে ছভিয়েট যুক্তৰাষ্ট্ৰত বনুৱা শ্ৰেণী কাৰ্য্যতঃ প্ৰমাণ কৰিছে যে শোষক সকল বাদ দিও জনসাধাৰণ সুচাৰুৰূপে চলিব পাৰে। ছভিয়েট যুক্তৰাষ্ট্ৰৰ বনুৱা শ্ৰেণীয়ে কাৰ্য্যৰ দ্বাৰা প্ৰমাণ কৰিছে যে প্ৰাচীন ব্যৱস্থা ধ্বংস কৰিবলৈ সমৰ্থতো হৈছেই, তাৰ বাহিৰেও শ্ৰেষ্ঠ ব্যৱস্থা, সমাজতান্ত্ৰিক ব্যৱস্থা গঠন কৰিবলৈ সমৰ্থ। এই ব্যৱস্থাত অৰ্থনীতিক সঙ্কটো নাই। নিবনুৱা সমস্যাও নাই।

আন আন দেশৰ পৰান্নভোগী লোক সকলে কয় যে খেতিয়কসকলে সমাজতন্ত্ৰবাদ পথ অৱলম্বন কৰিবলৈ অক্ষম। কিন্তু ছভিয়েট যুক্তৰাষ্ট্ৰত যৌথ কৃষি পন্থী কৃষকসকলে কাৰ্য্যৰ দ্বাৰা প্ৰমাণ কৰিছে যে তেওঁলোক সমাজতন্ত্ৰবাদৰ পথ অৱলম্বনত আৰু সেই পথত সাফল্য অৰ্জ্জন কৰিবলৈ সমৰ্থ হৈছে।”

শিশু-শিক্ষা

ভিতৰত আত্মকলহ আৰু বাহিৰৰ পৰা ধনতান্ত্ৰিক দেশবিলাকৰ ষড়যন্ত্ৰই ছভিয়েট ৰুছিয়াক বহুদিনলৈকে গঠনমূলক কাৰ্য্যত মনোনিবেশ কৰিবলৈ সুবিধা দিয়া নাছিল। দীঘলীয়া অভিজ্ঞতাৰ ফলত ছভিয়েট চৰ্কাৰে বুজিবলৈ পাৰিলে যে, যি সৰ্ব্বজনীন শান্তি আৰু উন্নতি তেওঁলোকৰ কাম্য, সেই গতিত এদিন ওচৰৰ হিংস্ৰ্যক ৰাষ্ট্ৰবিলাকৰ লগত যুদ্ধত লিপ্ত হবলৈ বাধ্য কৰিব। সেই নিমিত্তে ৰুছিয়াৰ লৰা ছোৱালী বিলাকৰ নিমিত্তে চৰ্কাৰে এনে এক শিক্ষা-পদ্ধতি ৰচনা কৰিবলৈ মনোনিবেশ কৰিলে যে যাৰ সাহায্যত কেৱল সাম্যবাদ-সমাজ ৰচনা কৰিবলৈ সমৰ্থ হব এনে নহয়, বিৰোধী শক্তিবিলাকৰ লগত তেওঁলোকে সংগ্ৰাম কৰিবলৈও যোগ্যতা অৰ্জ্জন কৰিব। এই উদ্দেশ্যে সাম্যবাদ-বিৰোধী জাতি সমূহৰ পুঁথি আদি সম্পূৰ্ণৰূপে বৰ্জ্জন কৰিলে। তাৰ ঠাইত সমাজতন্ত্ৰবাদৰ পৰিপুষ্ট আৰু আচল তথ্যবিলাক বুজিব পৰাকৈ সহজ ভাষাত অতি কম বয়সৰ লৰাছোৱালী বিলাকৰ তেজে-মজ্জায় যাতে মিলাই দিব পাৰে তাৰে ব্যৱস্থা কৰিলে।

ৰুছিয়াৰ শিক্ষা-পদ্ধতি সাধাৰণ শিক্ষা-প্ৰণালীৰ পৰা সম্পূৰ্ণ স্বতন্ত্ৰ। আন আন দেশৰ শিক্ষা প্ৰথাৰ উদ্দেশ্য ব্যক্তিত্বৰ বিকাশ। কিন্তু শত্ৰুই আগুৰি থকা ছভিয়েট ৰুছিয়াৰ শিক্ষা-প্ৰণালীৰ উদ্দেশ্য আছিল শ্ৰেণীবিহীন চেতনা জাগৰণ হোৱা সমাজ গঠন কৰিবলৈ। সেইবুলি ৰুছিয়াৰ শিক্ষা-পদ্ধতি যে ব্যক্তিত্বৰ বিকাশৰ বিৰোধী সেইটো নহয়।

একেবাৰে শৃঙ্খলাৰ ভিতৰত ৰাখি জীৱন আৰু শ্ৰম-ক্ষেত্ৰত বিভিন্ন বিকাশৰ পৰিচয় দি লৰা-ছোৱালীৰ প্ৰাথমিক শিক্ষা আৰম্ভ

হয়। ধীৰে ধীৰে এই ক্ষুদ্র বন্ধনীৰ পৰা বৃহৎ বন্ধনীলৈকে গাওঁ, নগৰ, প্রদেশ, দেশ শেহত আন্তর্জাতিক সম্পর্ক আৰু সমস্যাৰ লগত পৰিচয় কৰি দিয়ে। প্রথমে কেবছৰমান বিদ্যাৰ্থীবিলাকে এজন শিক্ষকৰ অধীনত শিক্ষা লাভ কৰে। পাছত কমপ্লেক্স মেথডৰ সলনি লেবো-ৰেটৰী মেথড গৃহীত হয়। শিক্ষকসকলে তাত ছাত্রসকলৰ লগত ভ্রান্ত আত্মসন্মানৰ ব্যৱস্থা অৱলম্বন কৰি নচলে। তেওঁ ছাত্রসকলৰ দলভুক্ত এজন। ইয়াৰ ফলত লৰাছোৱালীবিলাকৰ আত্মনিয়ন্ত্রণবোধ এনেভাৱে বাঢ়ি গৈছে যে লৰা-ছোৱালীবিলা-কক সংযত ৰাখিবলৈ শিক্ষকৰ শাসনৰ বিশেষ আৱশ্যক নহয়।

নিজৰ কাম নিজৰ হাতে কৰাৰ বিধান হৈছে—এই অভিনৱ শিক্ষা-পদ্ধতিৰ এটি বিশেষ অঙ্গ। এই বিধান লৰা-ছোৱালী উভ-য়ৰ পক্ষে সমভাৱে ব্যৱহাৰ কৰা হয়। গা ধোৱা, পোছাক পিন্ধা, চাফ চিকুণ আদি ৰখা, শেতেলি সজোৱা আদি কৰি ঘৰুৱা কাম-বন নিজৰ হাতে সম্পন্ন কৰা সকলো সময়তে প্রত্যেক লোকৰে কৰ্ত্তব্য। গতিকে এইবিলাক কামৰ নিমিত্তে ৰুছিয়াৰ লৰা-ছোৱালীক শৈশব অৱস্থাৰ পৰা আত্মনির্ভৰতা শিক্ষা দিয়া হয়।

ৰুছিয়াৰ শিশু সাহিত্য আন দেশতকৈ কিছু স্বতন্ত্র। ৰাক্ষস, ভূত, প্ৰেত, পৰী আদিৰ উপকথা কৈ লৰা-ছোৱালীৰ চিত্ত চঞ্চল কৰা বা মনত আনন্দ দিয়া ব্যৱস্থা তাত নাই। শিক্ষকবিলাকৰ পক্ষে লৰা-ছোৱালীৰ কৰ্ম্মতৎপৰতাত যিমান কম সম্ভৱ হস্তক্ষেপ কৰে। নহলে লৰা-ছোৱালীয়ে নিজৰ কৃতীত্ব দেখুৱাবলৈ পূৰ্ণ সুযোগ পাব নোৱাৰে। কিন্তু ছাত্রৰ দায়িত্ব সম্বন্ধে শিক্ষকৰ বিদ্যালয়ৰ চাৰি সীমাৰ ভিতৰত আবদ্ধ নহয়। মুঠতে শিশুশিক্ষাৰ মূল উদ্দেশ্য হৈছে—সিহঁতৰ কৰ্ম্মতৎপৰতা জগাই তোলা। জগত খনক জানিব আৰু বুজিব পৰা। স্বাস্থ্য সম্বন্ধে সচেতন হৈ শ্রমশীলতাৰ অভ্যাস অৰ্জ্জন কৰিবলৈ শিক্ষা দিয়া, সিহঁত যে আত্মসৰ্ব্বস্ব নহয়—এই বিৰাট মানব-পৰিয়ালৰ অংশ বিশেষ, এই সমষ্টিগত চেতনা সঞ্চাৰ

PLEASE HANDLE THE BOOK ...

কৰা আৰু সৰ্ব্বোপৰি জীৱনক বৈৰাগ্যৰ বিষাদময় হতাশাৰ দৃষ্টিত নেদেখুৱাই তাৰ আনন্দোজ্জ্বল ছবিটি সিইঁতৰ চকুৰ আগত দাঙি ধৰা।

ছভিয়েট ৰুছিয়াৰ খেতিয়ক আৰু বনুৱাৰ লৰা-ছোৱালীবিলাক জন্ম হোৱাৰ পৰা তিনি বছৰ ডে-নাৰ্ছাৰীত লালন-পালন হৈ কিণ্ডাৰ-গাৰ্টেন শিক্ষা লাভ কৰিব লাগে। ইয়াতে সিইঁতৰ বাল্যজীৱনৰ আঠ বছৰকাল শেষ হয়। কিণ্ডাৰগাৰ্টেন স্কুল যি ঠাইত ৰীতিমতে হৈ উঠা নাই, তাত বনুৱাবিলাকৰ ক্লাচৰ সংলগ্নত শিশুবিলাৰৰ থাকিবলৈ ঘৰ আছে। মাকবিলাকে নিতৌ অন্ততঃ কিছু সময়ৰ নিমিত্তে সেইবিলাক ঘৰত অভিজ্ঞ পৰিদৰ্শকৰ তত্ত্বাৱধানত ৰাখি নিশ্চিন্ত হৈ থাকিব পাৰে। এই হল নগৰৰ কথা।

গাওঁৰ খেতিয়কৰ তিৰোতাসকল যেতিয়া পথাৰত খেতিৰ কামত ব্যস্ত থাকে, তেতিয়া তেওঁলোকৰ লৰা-ছোৱালীৰ শিক্ষা আৰু তত্ত্বাৱধানৰ ভাৰ গ্ৰহণৰ নিমিত্তে ছামাৰ-প্লে-গ্ৰাউণ্ড বা গ্ৰীষ্ম কালৰ ক্ৰীড়াক্ষেত্ৰৰ ব্যৱস্থা কৰা হয়। তাৰ ফলত গাওঁৰ লৰা-ছোৱালী বিলাকৰ ডে-নাৰ্ছাৰীৰ পৰা কিণ্ডাৰ-গাৰ্টেনৰ যোগসূত্ৰ অক্ষুণ্ণ থাকে আৰু শিক্ষা লাভৰ পথ সুবিধাজনক হয়। ১৯২৫ সনত ছভিয়েট চৰকাৰে দুশ শিক্ষাপ্ৰাপ্ত ছাত্ৰক ভিন ভিন গাৱঁলৈ পঠিয়ায়— "ছামাৰ প্লে-গ্ৰাউণ্ড" গঠন কৰিবলৈ। কোনো ৰকম জীৱন ধাৰণৰ উপযোগী দৰমহাৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকে কৰ্ত্তব্য পালন কৰে। তথাপি তেওঁলোকৰ নিষ্ঠা সততা আৰু কৰ্ম্মতৎপৰতাৰ গুণত সহজে তেওঁলোকে স্থানীয় খেতিয়ক সকলৰ সহানুভূতি অৰ্জ্জন কৰে। এইদৰে ৰুছিয়াত প্ৰত্যেক বছৰে শ শ শিক্ষা প্ৰাপ্ত ছাত্ৰ গাৱঁলৈ গৈ খেতিয়কসকলৰ লৰা-ছোৱালীক শিক্ষা দিয়ে। সেই নিমিত্তে আজি ৰুছিয়াত নিৰক্ষৰ দূৰীকৰণ সমস্যা ইমান দ্ৰুতবেগে সমাধান কৰিব পাৰিছে।

—শেষ—

উলাবৰি, কামৰূপ]

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

১। বিদ্ৰোহী-খেতিয়ক ৵০

২। ৰাষ্ট্ৰপতি—সুভাষ বসু .... ।০

৩। মুক্তলিনী ... ৵০

৪। কছিয়াৰ বিদ্ৰোহ ... ৶০

৫। পূৰ্ণ-স্বৰাজ ... ।৵০

৬। অসমৰ সমস্যা (যন্ত্ৰস্থ) ৵০

৭। সাম্যবাদ (”) ৶০

৮। ছাপা-শিক্ষা (”) .... ১৲

পোৱা ঠাই:—

(১) গ্ৰন্থকাৰ, স্বৰাজ সাহিত্য মন্দিৰ,
কংগ্ৰেছ বোৰ্ড, গুৱাহাটী

(২) মেনেজাৰ, নিউপ্ৰেছ, গুৱাহাটী

(৩) মেনেজাৰ, জয়ন্তী আৰ্ট প্ৰেছ,
কমাৰপট্টি, গুৱাহাটী

(৪) শ্ৰীযুক্ত নন্দমোহন কাকতি
"অসম বুক এজেন্সী"
জোৰপুখুৰীপাৰ, গুৱাহাটী